# ভয়ংকৰ সেই ৰাতি

২০০৪ চনৰ জানুৱাৰী মাহ।

ঘড়ীত এতিয়া ৰাতি ১১.৪০ হৈছে।অমাবস্যাৰ ক'লা অন্ধকাৰে গ্ৰাস কৰিছে সমগ্ৰ বিশ্ব। গভীৰ জংঘল । সেই জংঘলৰ মাজেৰে পাৰ হৈ গৈছে গাড়ী চলাচলৰ উপযুক্ত এটা মাত্ৰ পকী পথ । পথৰ দুই পাৰে যিমানেই চকু যায় মাত্ৰ নিবিড় বন আৰু বন। সেই নিৰ্জন ৰাস্তাৰ বুকুৰ ওপৰেৰে এখন গাড়ী সন্মুখৰ হেডলাইট দুটি জ্বলি আগুৱাই গৈ আছে ।

গাড়ীৰ ভিতৰত আছে ভাৰতীয় আৰ্মিৰ অবসৰপ্ৰাপ্ত মেজৰ জেনেৰেল সংগ্ৰাম সিং, তেওঁৰ পত্নী অৰ্চনা, একমাত্ৰ পুত্ৰ ৰাহুল আৰু ৰাহুলৰ ঘৈনীয়েক গীতা। ৰাহুলে গাড়ী ড্ৰাইভ কৰি আছে । মেজৰ সংগ্ৰাম সিং তেঁওৰ পৰিয়ালৰ সৈতে দুৰৰ এখন চহৰত বন্ধুৰ ছোৱালীৰ বিয়ালৈ গৈছিল । ভাবিছিল সোনকালে শেষ কৰি ঘৰলৈ আহিব। কিন্তু বন্ধুৰ কি যে আবদাৰ। কিছু সময় কিছু সময় কৈ কেনেকৈ যে ৰাতি হৈ গল মেজৰে টলকিবই নোৱাৰিলে।

"...আজি বিয়াঘৰত বহুত ভাল লাগিল , নহয়নে ?" ষ্টিয়াৰিঙৰ ওপৰত হাত ৰাখি সমুখৰ উইণ্ডস্ক্ৰিনৰ মাজেৰে চকুৰ তীক্ষ্ণ দৃষ্টি সমুখৰ ৰাস্তাৰ ওপৰত ৰাখি ৰাহুলে কলে , "শৰ্মা আঙ্কলে ড্ৰিংকচ কৰাৰ পিছত কি যে মজা কৰিছিল সকলোৰে সৈতে !"

ৰাহুলৰ স্ত্ৰী অৰ্থাৎ মেজৰ সংগ্ৰাম সিং ৰ পুত্ৰবধূ গীতা ৰাহুলৰ কাষতেই বহি আছিল । মেজৰ সিং আৰু তেঁওৰ স্ত্ৰী অৰ্চনা পিছৰ ছিটত আছিল । সিহত সকলোকে খুব ক্লান্ত দেখা গৈছে । অচলতে কথাৰ মাজতে কেতিয়া ৰাতি হৈ গৈছে কোনোৱে বুজিব নোৱাৰিলে । এতিয়া সকলোৰে চকুৱে মুখে ঘৰটো পোৱাৰ কি যে উদ্বিগ্নতা।

"...আজিকালিৰ উৎসব-অনুষ্ঠানত এই মদ-ভাং খোৱা একদম সাধাৰণ কথা হৈ পৰিছে", লৰাৰ কথাত পিছৰ চিটৰ পৰা সংগ্ৰাম সিঙে কলে "আজিকালি কমবেছি পৰিমাণে সকলোৱে খায় । ইয়াক লৈ ভাবি একো নহয়"।

মেজৰ সংগ্ৰাম সিং আৰু ৰাহুল যেতিয়া বিয়াঘৰৰ পাৰ্টিক লৈ নিজেৰ মাজত আলোচনাত মচগুল আছিল , সেই সময়ত কাষত বহি থকা মেজৰৰ পত্নী অৰ্চনা চুপচাপ হৈ আছিল। মনৰ মাজত যেন এটা চেপা দুশ্চিন্তাই বাঁহ লৈছে , সেয়া তেঁওৰ মুখ দেখিয়েই বুজা গৈছিল । তেও স্বামী আৰু পুত্ৰ'ক উদ্দেশ্য কৰে ভীতিগ্ৰস্ত স্বৰত কবলৈ ধৰিলে, "তোমালোকে এতিয়া এইবোৰ কথা বাদ দিয়া ....আজিৰ ৰাতিটো দেখিছা নে?...ঘোৰ অমাবস্যাৰ ৰাতি ...মোৰ কিয় জানো খুব ভয় লাগিছে ...এই জঙ্ঘলৰ ৰাস্তাটো সোনকালে পাৰ হলে হয় ...এই ৰাস্তাৰ যেন আৰু শেষেই হোৱা নাই ! হে ভগবান!"

অৰ্চনাদেবীৰ ভীত স্বৰত কোৱা কথাত মেজৰ সিং আৰু ৰাহুল দুজনেৰ মজলিছ কথাবাৰ্তাত সামান্য সময়ৰ বাবে ছেদ পৰিল; কিন্তু তাৰপিছতে ৰাহুলৰ মাকৰ এই অহেতুক দুশ্চিন্তা কৰাৰ বাবে মাকক লৈ ঠাট্টা আৰম্ভ কৰিলে । অৰ্চনাদেবী এটা দীৰ্ঘশ্বাস লৈ কলে , "মই তো তোমাক

আগতেই কৈছিলো , সোনকালে ঘৰলৈ যাওঁ বুলি ..কিন্তু তোমালোক কোনোৱে মোৰ কথাত মনেই নিদিলা ...সকলো ফূৰ্তিত মচগুল...! এতিয়া এই ঘোৰ অমাবস্যাৰ ৰাতি এই ঘন জঙ্ঘলৰ ৰাস্তাত তোমাৰ কি অলপো গা ছমছম কৰা নাই ? হাজাৰটা বিপদ-আপদ..." কৈ কৈ অৰ্চনাদেবী গাড়ীৰ আইনাৰ মাজেৰে বাহিৰৰ অন্ধকাৰ জংঘলত ভীত সন্ত্ৰস্ত দৃষ্টিৰে চাবলৈ ধৰিল।

"...হেহ, তোৰ মায়েৰ কথা শুন", তাচ্ছিল্যৰ সুৰত হাহি মাৰি মেজৰ সংগ্ৰাম সিং নিজৰ দীঘল আকৰ্ষণীয় গোঁফৰ দুয়োমুৰ আঙুলিৰে পকাই পকাই কলে।

"...আঃ মা, তুমি চুপচাপ থাকাচোন!" মৃদু ধমকিৰে ৰাহুলে কলে , তেওঁৰ দৃষ্টি অবশ্যে পথৰ ওপৰত । , "তুমি কিয় ইমান ভয় কৰিছা মা? আমি আছোতো ...!"

সন্মুখৰ হেডলাইটৰ পোহৰত অন্ধকাৰ বনপথৰ যিমান খিনি দেখা যায়, সিমান দূৰত্বক ছেকেণ্ডত গ্ৰাস কৰি কৰি আগুৱাই গৈ আছে মেজৰ সংগ্ৰাম সিঙৰ গাড়ী । তাৰ পিছতো এই পথ যেন শেষ হোৱাৰ চিন চাব নাই। ৰাহুলৰ স্ত্ৰী গীতা অৰ্থাৎ মেজৰ সংগ্ৰাম সিংৰ পুত্ৰবধূ এইবাৰ মাজতে মাত লগালে , "ঠিক কথা। দেউতা আৰু ৰাহুলৰ সৈতে থাকোতে মাৰ ইমান ভয় কিহৰ !"

মেজৰ সিঙে কবলৈ ধৰিলে , "ৰাহুল, তুমি বোধহয় নাজানা, তোমাৰ মা কিমান ভয়াতুৰ । মায়ে বিছাৰে , মইও ৩৬৫ দিন ২৪ ঘন্টা ঘৰৰ বহি থাকিব লাগে । কি, সঁচা কৈছো নে ?" কৈ কৈ কাষত বহি থকা অৰ্চনাদেবীৰ পিনে চাই চকু টিপিয়াই একপ্ৰকাৰ কটাক্ষ কৰি কলে । তাৰপিছতে শব্দ কৰি হাঁহিবলৈ ধৰিলে মেজৰ সিং আৰু ৰাহুল দুয়োজনেই। পুনৰায় বাপেক আৰু পুতেক পৰস্পৰ ঠাট্টা-ৰসিকতাত মচগুল হল । এইবাৰ সিহতৰ সৈতে গীতাও যোগ দিলে।

মেজৰ সিঙে অৰ্চনাদেবীক উদ্দেশ্য কৰি গলগলীয়া সুৰত কলে , "আৰে মেডাম! আৰ্মিত থাকোতে ....ইয়াতকৈও বহুত ভয়ানক ভয়ানক জংঘলত ৰাতি কটাবলগীয়া হৈছিল। ...কেবল ৰাতিয়েই নহয়। মিছনত থাকিবলগীয়া হৈছিল। শত্ৰুপক্ষ বাদে অন্ধকাৰ ৰাতি, ঘন জংঘল, দূৰ্গম পাহাৰ, বিষধৰ সাপ পতংগ , আৰু কত কি যে। তাৰ মাজতো নিজৰ মিছন সম্পূৰ্ণ কৰি আহিছো .. আমাৰ এইবোৰ জংঘল টংঘল দেখি ভয় নালাগে । বুজিলে? আমাৰ বাবে অমাবস্যা যেনে , পূৰ্ণিমাও একে । জোন নহলে অমাবস্যা, জোন থাকিলে পূৰ্ণিমা, মই মাত্ৰ সেয়াই বুজো । অমাবস্যাৰ ৰাতিহে বৰঞ্চ আমাৰ সুবিধা হয়। কাৰণ অন্ধকাৰে শত্ৰুপক্ষৰ ফৌজি সহজে আমাক টাৰ্গেট কৰিবলৈ নোৱাৰে । বুজিলা ? হা...হা...হা..."

মেজৰ সিঙৰ হাহিৰ সৈতে ৰাহুল আৰু গীতাও যোগ দিলে । কিন্তু অৰ্চনাদেবী একোতেই স্বাভাবিক হবলৈ নোৱাৰিলে । সকলোৰ হাসিঠাট্টাৰ মাজতে মনৰ ভয় গুচি নগল । ভিতৰি ভিতৰি যেন কোনো আসন্ন বিপদৰ গন্ধ পাইছে । অন্যফালে গাড়ীৰ মাজত মেজৰ সংগ্ৰাম সিং, ৰাহুল আৰু গীতাৰ মাজত মজলিছ প্ৰায় জমি উঠিছে ...কিন্তু অৰ্চনাদেবীৰ দুচকুৰ আতঙ্ক গভীৰৰ পৰা গভীৰতৰ হৈ উঠিছে, ঠিক সেইসময়েই....

চেকেণ্ডৰ কম ভগ্নাংশৰ মাজত সকলো যেন ওলট পালট হৈ গল !

ইমানপৰে মসৃণ গতিত চলা সিহতৰ গাড়ীখন হঠাৎ যেন ভাৰসাম্য হেৰাল। । ষ্টিয়াৰিঙৰ কন্ট্ৰোল কৰি প্ৰাণপণে ব্ৰেক মৰাৰ চেষ্টা কৰিলে ৰাহুলে , নোৱাৰিলে , গাড়ীখনৰ স্পিড কমি আহিল , শূন্যতে যেন কিছু ওপৰলৈ উঠিল আৰু পিছত এক বিষম জোকাৰণিৰ সৈতে ৰাস্তাৰ পৰা নামি গৈ এজোপ ডাঙৰ গছৰ সৈতে খুন্দা মাৰি ৰৈ গল

কি যে হল , কোনোৱে একো বুজিব নোৱাৰিলে । আচলতে ইমান কম সময়ত ঘটনাটো ঘটিল যে কোনোৱে একো টলকিবই নোৱাৰিলে। দূৰ্ঘটনা হঠাৎ এনেকৈয়ে হয়...এয়াও তেনেই ....গছৰ সৈতে গাড়ীখনৰ সংঘৰ্ষ হোৱাৰ সময়ত প্ৰবল এটা শব্দ, গাড়ীৰ ভিতৰত থকা চাৰিওটা প্ৰানীৰ বুকু ফটা আৰ্তনাদ... তাৰপিছত সকলো শান্ত...চাওতে চাওতে এক নিস্তব্ধতা নামি আহিল সেই সূচীভেদ্য অন্ধকাৰৰ বুকুত।

দূৰ্ঘটনাত গাড়ীৰ ইঞ্জিন বন্ধ হৈ গল। কোনোৰকমে ৰাহুল ড্ৰাইভিং চিটৰ দৰ্জা খুলে বাহিৰ ওলাই আহিল । তাৰ পিছতে পিছৰ দৰ্জাৰ কাষলৈ গৈ মা-দেউতাকৰ নাম লৈ মাতি মাতি বেকচিটৰ দৰ্জা খোলাৰ চেষ্টা কৰিবলৈ ধৰিল। গীতাৰ পিনেও দৰ্জাখন খোলাৰ চেষ্টা কৰিলে ৰাহুলে।

"...মা...দেউতা ...গীতা..." অসহায়ৰ দৰে কান্দো কান্দো স্বৰে চিঞৰিবলৈ ধৰিলে ৰাহুলে , "কত আছা তোমালোক? ওলাই আহা । ওলাই আহা"।

সিহতৰ গাড়ীখন এজোপা ডাঙৰ গছৰ সৈতে খুন্দা খাই ৰৈ গৈছে ।

সংগ্ৰাম সিং সেইসময়ত দাঁতত দাঁত চেপি উঃ..আঃ কৰি দৰ্জা খুলি নামি আহিছে ।অন্যফালে , অৰ্চনাদেবী আৰু গীতা'ও কোনোৰকমে গাড়ীৰ দৰ্জাখন খুলি বাহিৰলৈ ওলাই আহিবলৈ চেষ্টা কৰিছে।

"...উঃ...উঃ...বাবা!" অস্ফুট আৰ্তনাদ কৰিছে অৰ্চনাদেবী, "কি হৈছে ৰাহুল? গাড়ীৰ সৈতে ...কাৰোবাৰ ...খুন্দা লাগিছিল নেকি?"

"...কি জানো..মোৰ মতে তো তেনেই কিবা হৈছিল", কপি কপি কলে ৰাহুলে । তেঁওক দেখি এনে লাগিল , সি যেন বহুত নাৰ্ভাছ হৈ পৰিছে ।

"...মানে?...সচাঁকৈ কিবাৰ সৈতে আমাৰ গাড়ীখনৰ কলিশ্বন হৈছিল নেকি?" মেজৰ সিঙে কৈ উঠিল।

"..ঠিক...বুজিবলৈ নোৱাৰিলো ...দেউতা ! মইও ঠিক বুজি নাপালো , কি হৈছিল ...মই গাড়ীৰ ভিতৰত হাঁহিত মচগুল আছিলো ...কিন্তু মোৰ চকু আছিল ৰাস্তাৰ ওপৰত... তাৰপিছতে হঠাৎ যেন..এনে লাগিল ...যেন কিবা এটা ৰাস্তাত আছে ... গাড়ীৰ ঠিক সমুখত

আছিল...ইয়েচ ...আমাৰ গাড়ীৰ ঠিক সমুখত ...সেই বস্তুটোৰ সৈতে আমাৰ গাড়ীখনৰ ...কলিশ্বন হ'ল...আৰু তাৰপিছতে এই এক্সিডেন্ট!" নাৰ্ভাচ দেখা গৈছে ৰাহুলক। চকুৱে মুখে এক গভীৰ উদ্বেগ আৰ উৎকণ্ঠাৰ ছাঁ।

নাৰ্ভাছ হৈছে মেজৰ সিং'ও।

"....ঈশ্বৰক ধন্যবাদ, আমাৰ কাৰো একো আঘাত নহ'ল" অৰ্চনাদেবীয়ে ক'লে । দুৰ্ঘটনাগ্ৰস্ত গাড়ীখনৰ পৰা নামি গীতাৰ হাত ধৰি থিয় হৈছিল তেওঁ । আশেপাশে দুৰ্ভেদ্য জঙ্ঘল আৰু চৰাচৰগ্ৰাসী সূচীভেদ্য অন্ধকাৰ। সমুখত একমাত্ৰ পথটো , সেয়াও এতিয়া হেৰাই গৈছে ঘন অন্ধকাৰৰ মাজত । নিঃসীম সেই অন্ধকাৰে চকু যেন অন্ধ হৈ পৰিছে । মেজৰ সংগ্ৰাম সিং অলপ আগুৱাই গৈ অন্ধকাৰ ৰাস্তাৰ ওপৰত কিবা চাবলৈ চেষ্টা কৰিলে কিন্তু অটল অন্ধকাৰত তেওঁৰ দৃষ্টি ব্যাহত হৈ উভতি আহিল । একো দৃষ্টিগোচৰ নহ'ল ।

"...মইও মন কৰিছিলো ...আমাৰ গাড়ীৰ আগত হঠাৎ কিবা এটা আহি পৰিছিল ..." বৈ বৈ ক'লে সংগ্ৰাম সিঙে , "কিন্তু এতিয়াতো এনে লগা নাই ...এই ৰাস্তাৰ ওপৰত কিবা যে আছে ...কতো একো ছা চকুত নপৰিল । তেতিয়াহ'লে কিহৰ সৈতে আমাৰ গাড়ীখন খুন্দা খালে?"

"...ঠিক...ঠিক বুজিব পৰা নাই দেউতা !" অজান আশঙ্কাত ৰাহুলৰ চেহেৰা ৰঙা হৈ পৰিছে , "কিন্তু গাড়ীৰ সন্মুখততো কোনো মানুহক দেখিছো যেন নালাগে ...কিন্তু এনে লাগিল ...যেন অস্পষ্ট কিবা .. আমাৰ গাড়ীখনৰ সমুখত যেন আহি পৰিছিল...এতিয়া সেয়া মানুহ... নে কোনো জন্তু..নে ...কি..ঠিক মনত পৰা নাই...তাক বচাবলৈ গৈয়েই ...এই এক্সিডেন্ট...কিন্তু... কিন্তু... এয়া ঠিক...যে গাড়ীৰ আগত কিবা এটা আহি পৰিছিল ...মূহুৰ্তত অলপ সময়ৰ বাবে ...মই কিবা এটা দেখিছিলো...!"

ৰাহুলৰ কথাত সকলোৰে মাজৰ চেপা উত্তেজনা আৰু উদ্বেগ উৎকণ্ঠা দুগুণ বাঢ়িল । সকলোৰে ভ্ৰু কুঞ্চিত হৈ উঠিল । ৰাহুলে ক'লে কি ? গীতাইতো আৰু আচৰিত হ'ল । তাই ক'লে , "যদি সেয়াই হৈছিল , তেতিয়াহ'লে মইও তো সমুখৰ চিটত বহিছিলো ...মইতো একো দেখা নাই !"

"...কিন্তু মোৰ কথা বিশ্বাস কৰা !" এইবাৰ জোৰকৈ কৈ উঠিল ৰাহুল, "হয় মই হাঁহিত মছগুল আছিলো বাবে কি হ'ল বুজি নাপালো ...কিন্তু মই কব পাৰো ...কিবা এটা গাড়ীৰ আগত অবশ্যেই আহি পৰিছিল ...কাৰণ মোৰ কাণে সংঘৰ্ষৰ শব্দও শুনা পাইছিল ..." কৈ কৈ গছৰ গুৰিত খুন্দা খাই ৰৈ যোৱা নিজৰ গাড়ীখনক ঘুৰি ঘুৰি চাবলৈ ধৰিলে তেওঁ । চকুয়ে মুখে এতিয়াওঁ এক গভীৰ অবিশ্বাস আৰু সন্দেহ। সেইপিনে , মেজৰ সিং, অৰ্চনাদেবী আৰু গীতাৰ মাজতো সন্দেহ আৰু অবিশ্বাস শিপা। সিহঁতে এতিয়াও ভাবিবলৈ পৰা নাই , এইবোৰ কেনেকৈ হবলৈ পালে! কি ঘটিল এয়া! কিদৰে ঘটিল!

"...মোৰ এনে লাগিছে , তোমাৰ কিবা ভুল হৈছে" , কৈ উঠিল মেজৰ সংগ্ৰাম সিং, "ভুলটো মোৰেই। এইদৰে হাহিঠাট্টাত মচগুল হৈ থকাটো. মোৰ উচিত নাছিল । আৰু সেয়েই হয়তো

ষ্টিয়াৰিংৰ ওপৰৰ পৰা তোমাৰ বেলেন্স হেৰাই গৈছিল...তাৰপৰাই গাড়ীখনৰ এনেদৰে এক্সিডেন্ট হল। যি কি নহওক , আমাৰ কাৰো তেনে কোনো আঘাত নহল। এতিয়া চোৱা যাওক গাড়ীখন থিকে আছে নে নাই। নহলে গোটেই ৰাতি এই বনত পৰি থাকিব লগা হলে তোমাৰ মাৰ মুখৰ পৰা ভূতৰ গল্প শুনি শুনি পাৰ কৰিব লাগিব । জানাইতো তোমাৰ মাক । এইৰকম অমাবস্যাৰ ৰাতি গভীৰ জঙ্গল দেখিলেই নানাৰকম বিচিত্ৰ চিন্তাভাবনা মুৰত আহে" কৈ কৈ সংগ্ৰাম সিং দূৰ্ঘটনাগ্ৰস্ত গাড়ীখনৰ ড্ৰাইভিং চিটত গৈ ইঞ্জিন ষ্টাৰ্ট কৰাৰ চেষ্টা কৰিবলৈ ধৰিল। তেওঁ এজন মিলিটাৰি মানুহ, এনে সৰু সুৰা এক্সিডেন্ট হৈয়েই থাকে ! ড্ৰাইভিং চিটত বহি তেওঁ ইঞ্জিন চালু কৰিবলৈ চেষ্টা কৰিব ধৰিলে ।বহুবাৰ চেষ্টাৰ পিছত সামান্য ষ্টাৰ্ট হৈ উঠিল ইঞ্জিনটো কিন্তু তাৰ সৈতে এবাৰ জোকাৰণি মাৰি বন্ধ হৈ গল। গাড়ীৰ ইঞ্জিনৰ শব্দ মিলি যোৱাৰ সৈতে গোটেই জঙ্গলত এক অদ্ভুত নিশ্ছিদ্ৰ নিস্তব্ধতা নামি আহিবলৈ ধৰিল । কিন্তু সংগ্ৰাম সিং এৰি দিয়া ভকত নহয়, তেওঁ বাৰম্বাৰ গাড়ীৰ ইঞ্জিন ষ্টাৰ্ট কৰাৰ চেষ্টা কৰিবলৈ ধৰিল।

"....এই ৰাস্তাটো বহুত নিৰ্জন", অন্ধকাৰে ঢকা নিৰ্জন ৰাস্তাটোৰ সোঁওে বাওে চাই চাই কবলৈ ধৰিলে অৰ্চনাদেবী, "একেবাৰে নিৰ্জন । কতো অলপো পোহৰ নাই, যতনেকি এতিয়া পৰ্যন্ত এখন গাড়ীও অহা যোৱা দেখা নগল। মোৰ কিয় নাজানো খুব ভয় লাগিছে !"

ৰাহুল এইবাৰ বিৰক্তিকৰ সুৰত কলে , "আঃ মা, তুমি তো জানাই, আজি ৰাতি অমাবস্যা। অন্ধকাৰ তো থাকিবই, তাৰোপৰি এই জাগাখিনি একেবাৰে জঙ্গল, ওচৰে পাজৰে কতো মানুহৰ জনবসতি নাই । এই ৰাস্তাত কতো এটা লাইটপোষ্টৰ ব্যবস্থাও নাই। লগতে আজি পোহৰো নাই । আৰু তুমি প্লিজ...এইবোৰ অদ্ভুত ভাব চিন্তা বন্ধ কৰা"।

মাক -পুতেকৰ কথাবাৰ্তাৰ মাজতেই হঠাৎ সিহতৰ গাড়ীৰ ইঞ্জিন বেচ জোৰে গৰ্জি উঠিল । সিহতে ঘুৰি চালে, শেষত সিহতৰ গাড়ীৰ ইঞ্জিন ষ্টাৰ্ট হৈছে ।বেচ কিছুক্ষণ ধৰি মেজৰ সিং চেষ্টা চলাইছিল গাড়ীখন ষ্টাৰ্ট কৰাৰ বাবে । এতিয়া ইঞ্জিন ষ্টাৰ্ট হোৱাতেই তেওঁ গাড়ীখন বেক গিয়াৰত লৈ ৰাস্তাৰ মাজলৈ লৈ আহিল । ৰাহুল, গীতা আৰু অৰ্চনাদেবী যত থিয় হৈছিল , তালৈ গাড়ীখন লৈ আহি ৰখালে।

"..আহা , সকলো উঠা এতিয়া গাড়ীত", ইঞ্জিনটো অন ৰাখিয়েই কলে সংগ্ৰাম সিঙে, "ওপৰৱালাৰ অশেষ কৰুণাত সমুখৰ বনেট আৰ হেডলাইট দুটাৰ বাদে বাকী সকলো থিকে আছে"।

সিহতে দেখিলে, মেজৰ সিংৰ কথাই ঠিক। সচাকৈ , কবলৈ গলে গাড়ীখনৰ তেনে কোনো ক্ষতি হোৱা নাই । সংগ্ৰাম সিংৰ মুখত এনে এক তৃপ্তিৰ হাঁহি আছিল যেন এক ডুবিবলৈ ধৰা মানুহৰ সমুখত হঠাৎ কোনো নাওঁ আহি পৰিছে । এতিয়া এই নাওৰেই সিহত সকলোকে নিৰাপদে ঘৰ লৈ যাব ।

"....ঈশ্বৰক অশেষ ধন্যবাদ, আমাৰ গাড়ীখন তেওঁ ষ্টাৰ্ট কৰি দিলে", আকাশৰ পিনে চাই হাতজোৰ কৰি কলে অৰ্চনাদেবীয়ে। তাৰ পিছত তেওঁ ড্ৰাইভিং চিটৰ কাষৰ দৰ্জা খুলি স্বামীৰ কাষলৈ গৈ বহিল । সংগ্ৰাম সিং এতিয়া চালকৰ আসনত। ৰাহুলে তেওঁৰ স্ত্ৰী গীতাৰ সৈতে

এতিয়া পিছৰ চিটত বহিছে । এই ঘোৰ অমাবস্যাত আশেপাশে জঙ্গলৰ চেহেৰা ইমানেই ভয়াবহ দেখা গৈছিল যে সেই জঙ্গলৰ চেহেৰা দেখি অজান্তেই যে কাৰো গাৰ নোম শিয়ৰি নুঠিব তাৰ কোনো কথাই নাই । সকলোৰে মনত তেতিয়া এটাই ইচ্ছা, যিমান সোনকালে সম্ভৱ এই জঙ্গল এলেকা পাৰ কৰিব লাগে । ৰাস্তাৰ মাজলৈ আহি সংগ্ৰাম সিং গাড়ীখন এবাৰ জোৰে ষ্টাৰ্ট দি আগুৱাই নিবৰ চেষ্টা কৰাতেই আহিল বাধা । ইঞ্জিনটো গুমগুম শব্দ কৰিবলৈ ধৰিল , যেন কোনো হিংস্ৰ জন্তুই নিদাৰুণ ক্ৰোধত গৰ্জি আছে । সংগ্ৰাম সিঙে চেষ্টা কৰিবলৈ ধৰিলে গাড়ীখনক চলাবলৈ কিন্তু কোনো অবস্থাতেও গাড়ীৰ চকা এক ইঞ্চিও নলৰিল ।

পিছৰ চিটত থকা ৰাহুলে কিঞ্চিৎ উদ্বিগ্ন স্বৰত কলে , "এইবাৰ আকৌ কি হল?"

"...গাড়ীখন চলা নাই ..." চেষ্টা কৰি কৰি কৈ উঠিল মেজৰ সংগ্ৰাম সিঙে, "ট্ৰাই কৰি আছো ....কিন্তু এইবাৰ কত বজিছে ..... বুজিব পৰা নাই । এক্সিলাৰেটৰ.....দবাই ৰাখিছো , গিয়াৰ লগাই..... ৰাখিছো, তাৰ পিছতো ষ্টিয়াৰিং.....ঘুৰিও গাড়ী.....লৰচৰ কৰা নাই অলপো ! কি কেচ !"

"..এবাৰ চাও ৰবা মই বাহিৰলৈ গৈ ...সমুখৰ বনেট খুলি চোৱা ভাল হব , কত আচল প্ৰব্লেমটো হৈছে .."কৈ কৈ ৰাহুলে পিছৰ চিটৰ দৰ্জা খুলি নামি যাবলৈ বিচাৰিলে কিন্তু অৰ্চনাদেবীয়ে বাধা দিলে । ভয়াৰ্ত স্বৰত কলে , "খবৰদাৰ নানামিবা ..নামি নাযাবা । মোৰ মন কিন্তু ভাল লগা নাই । নাজানো কিয় , আমাৰ মুৰত যেন এটা ডাঙৰ অজান বিপদ আহি পৰিছে ...মোৰ একো ভাল লগা নাই", তাৰপিছত কাষত বহি থকা স্বামীকে উদ্দেশ্য কৰি কলে , "তুমি আৰু চেষ্টা কৰাচোন , চোৱা গাড়ীখন ঠিক ষ্টাৰ্ট হৈ যাব"।

ভয়ানক এক আতঙ্কই যেন গ্ৰাস কৰিছে অৰ্চনাদেবীক। তেওঁ বাৰ বাৰ গাড়ীৰ খিড়ীকিৰ কাঁচেৰ মাজেৰে বাহিৰৰ জঙ্গল চাই আছে । যদিও বাহিৰৰ নিক্ষিপ্ত অন্ধকাৰ ভেদ কৰি একো নজৰ পৰা নাই , তাৰপিছত কিয়জানো বাৰ বাৰ সেই জঙ্গলৰ দিশত চাই থাকি থাকি অজান্তেই বাৰ বাৰ শিয়ৰি উঠিছিল । বুকুৰ ভিতৰৰ হৃদপিণ্ডটো কিয় যেন ধিমট ধিমিট ... কৰিছে।

ৰাহুল বিৰক্ত হৈ কলে, "মা, মুৰ্খৰ দৰে কথা নকবা ..গাড়ীখন ঠিক হৈ গলেই আমি আৰু ইয়াত এক চেকেণ্ডো নাথাকো । এতিয়া গাড়ীখন চলা নাই , সেয়ে নামি চাবই লাগিব , প্ৰবলেমটো আচলতে কত হৈছে ...নাচালে প্ৰবলেমটো চলভ কৰিম কিদৰে ? আৰু তুমি ইমান ভয় কিয় কৰিছা? কিহৰ ভয় তোমাৰ? চোৱা মা, তুমি একদম চিন্তা নকৰিবা ..." তাৰপিছত দেউতাক'ৰ পিনে চাই কলে , "দেউতা , টৰ্চটো দিয়া , তোমালোক গাড়ীতে বহি থাকা, মই গৈ চেক কৰি আহো, কি হৈছে ..."

টৰ্চটো লৈ গাড়ীৰ পৰা নামি গল ৰাহুল। তাৰপিছত গাড়ীৰ সমুখৰ বনেট দাঙি একান্তমনে ভিতৰৰ যন্ত্ৰপাতি পৰীক্ষা কৰিবলৈ ধৰিলে । অন্যফালে , গাড়ীৰ ভিতৰত থাকি গীতা আৰু অৰ্চনাদেবী সমুখৰ উইন্ডস্ক্ৰিনৰ মাজেৰে ৰাহুলৰ পিনে উদ্বিগ্ন দৃষ্টিত চাই বহি আছিল । যদিও বনেটৰ কভাৰৰ আৰত ৰাহুলৰ শৰীৰটো ঢাক খাই গৈছিল । দেখা নগৈছিল তেঁওক । ড্ৰাইভিং চিটত বহি সংগ্ৰাম সিং তেতিয়াও ইঞ্জিনটোক ষ্টাৰ্ট দিয়াৰ চেষ্টা কৰিছিল। ঠিক এইসময়তে হঠাৎ ৰাহুলৰ আৰ্তনাদে অৰ্চনাদেবী তো বাদেই , গীতা আৰু সংগ্ৰাম সিং'ও সচকিত হৈ

উঠিল। ৰাহুলৰ এনে ভয়াৰ্ত স্বৰ আগেয়ে কেতিয়াও সিহতে শুনা নাই , যেন ভয়ঙ্কৰ কোনো বিভীষিকা দেখিছে ৰাহুলে, নিজে সচক্ষে।

"...আ...আ...আ...আ...আ...মা...দেউতা...সোনকালে বাহিৰ আহা..... চোৱা ......!"

গাড়ীৰ ভিতৰৰ পৰা সকলোৱে দৌৰা দৌৰিকৈ বাহিৰ ওলাই আহিল । সকলোৰে মনত উদ্বেগ উৎকণ্ঠা। নাজানে কি হৈছে ৰাহুলৰ , সি এনেকৈ চিঞৰিছে কিয় ! কি দেখিছে নাজানো!

"...কি হৈছে ৰাহুল..?" কৈ কৈ একৰকম দৌৰি ৰাহুলেৰ কাষত গৈ থিয় হল সংগ্ৰাম সিং, চকুয়ে মুখে এইবাৰ তেওঁৰো উৎকণ্ঠা ফুটি উঠিছে, "কি হৈছে?এনেকৈ চিঞৰিছা কিয় ?"

"...দেউতা ...দ্দে....." ৰাহুল বোবা হৈ গৈছে ।

"...কি হৈছে কোৱা না?" অৰ্চনাদেবীৰ কাতৰ স্বৰ।

গীতাৰো চকুয়ে মুখে উদ্বেগৰ চিহ্ন। তাইও জিজ্ঞাসা কৰিলে , "কি হৈছে ৰাহুল? এনকৈ কিয় ভয় খাইছা ?"

সকলোৱে যেতিয়া ৰাহুলক ঘেৰি ধৰি প্ৰশ্নবানত জৰ্জৰিত কৰি তুলিছে , ৰাহুলে তেতিয়াও একো উত্তৰ নিদিয়াকৈ ধীৰেধীৰে স্লো মোচনত সোঁহাতৰ তৰ্জনী আঙুলিটো ডাঙি গাড়ীৰ হেডলাইটৰ পিনে দেখুৱাই তেও সিহঁতক কিবা দেখুৱাব বিচাৰিছে । তেঁওৰ চকুৱে মুখে এক আশ্চৰ্য নীৰব অভিব্যক্তি। মুখৰ যেন সাময়িকভাবে ভাষা হেৰাই পেলাইছে। ইপিনে , সংগ্ৰাম সিং সহ বাকীসকলে ৰাহুলৰ অঙুলি নিৰ্দেশিত দিশত গাড়িৰ হেডলাইটৰ পিনে চোৱাৰ পিছত সিহঁতেও যেন মুখৰ ভাষা হেৰুৱাই পেলালে । মূহুৰ্ততে সকলো চুপচাপ হৈ গল । এটা আশ্চৰ্য নীৰবতা নামি আহিল সিহঁতৰ মাজত ।

টৰ্চৰ পোহৰত এক ভয়াবহ দৃশ্যৰ সম্মুখীন হল সিহত। সবিস্ময়ে দেখিলে, গাড়ীৰ সন্মুখৰ হেডলাইটৰ কাঁচৰ ওপৰত কেঁচা তেজৰ দাগ।

"...ও...মাই..গড!" অস্ফুট আৰ্তনাদ কৰি উঠিল গীতাই,"এইবোৰ ...কি...?"

অৰ্চনাদেবী আৰু সংগ্ৰাম সিং যেন কিছু ক্ষণৰ বাবে বোবা হৈ গ'ল।অলপ সময় পিছত ৰাহুলে কবলৈ ধৰিলে, "মইতো প্ৰথমেই কৈছিলো যে মোৰ গাড়ীৰ সৈতে নিশ্চয় কাৰোবাৰ নহলে কাৰোবাৰ কলিশ্বন হৈছে ...সেয়া নহলে মোৰ গাড়ীখনৰ এক্সিডেন্ট হব কিয়?...এইবাৰ তো মোৰ বিশ্বাস হল?"

"...হে ঈশ্বৰ..." কেকাই উঠিল এইবাৰ অৰ্চনাদেবী, "মই আগতেই মন কৰিছিলো , ইয়াত কিবা নহয় কিবা বেয়া ঘটনা ঘটিছে... ...এই তেজৰ দাগ কৰ পৰা আহিল ? কাৰ তেজৰ দাগ এয়া ?" কৈ কৈ তেওঁ স্বামীৰ হাতত খামুচি ধৰিলে ।

“...ৰাহুল!  দেউতা!”  এইবাৰ আৰ্তনাদ কৰি কলে গীতাইও, ” কি হৈছে এইবোৰ?” তাৰপিছতেই শহুৰ সংগ্ৰাম সিং’ক উদ্দেশ্য কৰি কলে , “দেউতা , মোৰ এনে লাগিছে , মাৰ কথাটোৱেই ঠিক। কিবা এটা বেয়া বস্তু ইয়াত আছে ...এতিয়াটো মোৰো ভয় লাগিছে ...” অষ্ঠ কণ্ঠ শুকাই গৈছে গীতাৰ। কোনোৰকমে এটা ঢোক গিলি তাই কলে ,“সেয়ে ...এয়া...কোনো...জন্তুৰ.....তেজ...তো...হব...পাৰে”...

“...জন্তু !”  কৈ উঠিল ৰাহুলে, “তেতিয়াহলে গাড়ীৰ সৈতে খুন্দা খোৱা সেই জন্তুটো বা কত গল ?”

“....হব পাৰে...তুমি হয়তো...সেইটো ...দেখাই ..নাপা...লা”, অমাত অমাত কৈ কলে গীতাই, “সেইটো চেপা খাইছে ... সেয়ে আমাৰ গাড়ীখন এক্সিডেন্ট হল...তাৰপৰা সি আহত অবস্থাত ...উঠি..জঙ্গলত লকুালে ...” কৈ কৈ স্তিমিত হৈ আহিল গীতাৰ কণ্ঠস্বৰ। আচলতে এই কথাত তাইৰ নিজৰো যথেষ্ট সন্দেহ আছে।

সংগ্ৰাম সিং এতিয়াও নিশ্চুপ। কাৰণ তেওঁৰ কাৰো কথাই বিশ্বাসযোগ্য যেন লগা নাছিল । তেওঁ মাত্ৰ কথাত নহয়, প্ৰমাণত বিশ্বাস কৰে। বহুসময় চুপ হৈ থাকি তেওঁ কলে, “হব পাৰে...কিন্তু দূৰ্ঘটনা হলেও ৰাস্তাৰ ওপৰতো তেজৰ দাগ থাকিব লাগিব”।

অৰ্চনাদেবী সকলোকে চাই চাই কবলৈ ধৰিলে , “মোৰ...কিন্তু... কি জানো কিয়...ঠিক লগা নাই । এনে লাগিছে ...এইবোৰ কোনো মায়াজাল। মোৰ খুব ভয় লাগিছে ...মনত খেয়াল হৈছে এইবোৰ কোনো কলাজাদুৰ...খেল...। কথাতে কয় , এই অমাবস্যাৰ ৰাতি অনেক অজান অশুভ শক্তি বেছি মাত্ৰাত সক্ৰিয় হৈ উঠে। এই ৰাতি বেয়া অশুভ জ্বিন, আত্মা পূৰ্ণ ক্ষমতাত থাকে, মানুহক সিহঁতে মায়াজালত পেলাই বিভ্ৰান্ত কৰে...মানুহৰ নানাভাবে ক্ষতি কৰাৰ চেষ্টা কৰে”।

অন্য সময় হলে অৰ্চনাদেবীৰ কথাত ৰাহুল আৰু গীতা হাহিবলৈ ধৰে , কিন্তু এতিয়া এই পৰিস্থিতিত সিহতে এই কথাবোৰ হাহিৰে উৰাই দিব নোৱাৰিলে । এতিয়া সিহতঁৰো এনে লাগিল কিবা এক বেয়া নিশ্চয় সিহঁতৰ সৈতে ঘটিছে। এই ঘোৰ অমাবস্যাৰ ৰাতি আশেপাশে থকা নিবিড় জঙ্গলৰ বুকুত আকাশচুম্বী ডাঙৰ ডাঙৰ গছ বোৰ প্ৰেতৰ দৰে থিয় হৈ থকা দেখি অজানিতেই সিহঁতৰ বুকুৰ ভিতৰত কঁপনি উঠিল ।

“...দেউতা !”  বহুসময় পিছত কথা কবলৈ পাৰিলে ৰাহুলে, “মোৰ এনে লাগিছে , মা’ৰ কথাই ঠিক। মইও তোমাক কৈছিলো , আমাৰ গাড়ীৰ সৈতে কিবা এটা খুন্দা খাইছে ...কিন্তু মই বুজিব নোৱাৰিলো সেয়া কি আছিল ...!”  ৰাহুলৰ কথা শুনি এনে লাগিছিল , সিঁও খুবেই ভয় খাইছে । এতিয়া সিও নিজেও মাকৰ দলত যোগ দিছে । সি এতিয়া এইবোৰ ভূতপ্ৰেত বিশ্বাস কৰিবলৈ আৰম্ভ কৰিছে।

“...ৰাহুল!”   এইবাৰ কিছু গলগলীয়া মাতেৰে কলে সংগ্ৰাম সিঙে , “তুমি অন্তত তোমাৰ মাৰ এই কুসংস্কাৰত বিশ্বাস নকৰিবা ...বাদ দিয়া তোমাৰ মাৰ কথা!...জানাইতো, ভূতপ্ৰেত, তন্ত্ৰমন্ত্ৰ, জ্বিন-টিন লৈ কি গভীৰ বিশ্বাস তোমাৰ মাৰ...পঁয়ত্ৰিছ বছৰ একেলগে

কটাইছো ..খুব ভালদৰে জানো...তোমাৰ মা এইবোৰ আজব গুজব বস্তত কিমান বিশ্বাস কৰে...এইবোৰ কথাবাৰ্তা তুমি কলে নিমিলে !"বেচ খঙৰ স্বৰত মেজৰ সংগ্ৰাম সিঙে কথাবোৰ কলে ।

"...বচ", অভিমানৰ ভৰা মাতেৰে কলে অৰ্চনাদেবীয়ে, "যদি সেয়া-ই হয়, তেন্তে কোৱা আমাৰ গাড়ীত যিহে খুন্দা খালে , সেইটো কত গল? আহত বা নিহত যি কোনো এটা অবস্থাত তাক দেখা যাব...সি কি গাড়ীৰ সৈতে খুন্দা খায়েই আকাশত মিলি গল নেকি ...নে ...মাটিৰ তলত মিহলি গল...কোনটো? কোৱা?"

"...তুমি...প্লিজ চুপচাপ থাকিবানে ?" কঠিন ক্ৰুদ্ধ স্বৰে সংগ্ৰাম সিঙে স্ত্ৰীক ধমকিৰ সুৰত কোৱা বাবে চুপচাপ হৈ গল অৰ্চনাদেবী। পথৰ ওপৰত বা আশেপাশে এতিয়া পৰ্যন্ত কোনো মানুহ বা প্ৰাণীকে দেখা নাই। আচল কথা, এতিয়া সেই ঠাইত সিহত চাৰিজন বাদে আৰু কোনো নাই । সিহঁতৰ টৰ্চৰ পোহৰক বাদ দি তাত এটুকুৰা পোহৰো চকুত পৰা নাই । মুৰৰ ওপৰৰ আকাশখন এনে লাগিছে বিশাল এখন কলা চাদৰ যেন আৰি দিছে । কতো এটা তৰাও দেখা নাযায় । ৰাহুল আৰ মেজৰ সংগ্ৰাম সিং দুয়োজনে টৰ্চ হাতত লৈ সেই ঘন অন্ধকাৰৰ বুক ফালি ধীৰ গতিত সমুখৰ দিশত এখুজি দুখুজিকৈ আগুৱাবলৈ ধৰিলে। সিহঁতে সেইফালে গল যত সিহঁতৰ গাড়ীৰ সৈতে কিবা খুন্দা খাইছিল। সিহতে সেইখিনিলৈ আহি টৰ্চৰ পোহৰেৰে ভালদৰে চাবলৈ ধৰিলে। যদি কৰবাত মানুহ বা জন্তুৰ বডি বা তেজৰ দাগ চকুত পৰেই ; কিন্তু এক ফোটা দাগো কতো দেখা নগল । অথচ তাত কিবা হলে অবশ্যেই তেজৰ দাগ থাকিব লাগিছিল । কাষৰ জঙ্গলৰ পৰা বিচিত্ৰ বিচিত্ৰ শব্দ কাণত আহি আছিল । কতৰকমৰ ৰহস্যময় শব্দই যেন নিস্তব্ধ ৰাতিৰ নীৰবতা ভঙ্গ কৰিছিল । এই শব্দবোৰ কিহৰ , জন্তুৰ নে পোক পতংগৰ নে অন্য কিবাৰ , সেয়াও বুজা নগৈছিল । অৰ্চনা আৰ গীতা যিমানদূৰ সম্ভৱ এই ভয়াবহ ৰহস্যময় শব্দবোৰ নুশুনিবলৈ চেষ্টা কৰিছিল।

"...দেউতা , ইয়াত তো কোনো চিন চাব দেখা নাই", চেপা কন্ঠেৰে সংগ্ৰাম সিং'ক উদ্দেশ্য কৰি কলে ৰাহুলে । সংগ্ৰাম সিং তেতিয়াও আশেপাশে চাই আছিল , যদি কৰবাত কিবা দেখা যায় । কলে , "এনেওতো হব পাৰে, গাড়ীৰ সৈতে খাই সি ছিটিকি কাষৰ এই জঙ্গলৰ ভিতৰত গৈ পৰিছে। গাড়ী খন তো খুব স্পিডত চলিছিল । এক্সিডেন্ট হোৱাৰ পৰত নিশ্চয় সি খুব আহত হৈছে, বা হয়তো মৰিছে । কিন্তু যদি আহত হৈ পৰি আছে , তেতিয়াহলে হয়তো বেহুচ হৈ পৰি আছে । সেইবাবেই আমাৰ শব্দ শুনাৰ পিছতো তাৰ পৰা কোনো উত্তৰ অহা নাই"।

জঙ্গলৰ দিশত টৰ্চৰ পোহৰ ঘুৰাই ঘুৰাই চাবলৈ ধৰিল সংগ্ৰাম সিং। কিন্তু একমাত্ৰ জঙ্ঘল বাদে আৰু একো দৃষ্টিত নপৰিল

"...দেউতা !" এইবাৰ কিছু দূৰ থকা গীতাৰ মাত শুনা গ'ল, "যদি সঁচাকৈ কোনো আহত হৈ কৰবাত পৰি আছে আমি তাক বিছাৰি হস্পিটেললৈ নিব লাগে...অবশ্য যদি সেয়া জন্তু হয়...."

"...তোমালোক এতিয়াও মোৰ কথা কিয় বুজিবলৈ খোজা নাই ?" আৰ্তনাদ কৰি উঠি

কলে অর্চনাদেৱীয়ে, “কিমানবাৰ আৰু তোমালোক দুয়োজনক কম যে আমি ইয়াত এখন মায়াজালত ফচি গৈছো ? কিমানবাৰ কৈছিলো বিয়াঘৰত ...ৰাতি হোৱাৰ আগতে ঘৰলৈ আহিম , তোমালোক কোনোৱে নুশুনিলা ...আৰু এতিয়া ইয়াত আৰু থিয় হৈ নাথাকিবা ...আহা সকলো ...উঠা গাড়ীত...যিমান সোনকালে পাৰি এই ঠাই এৰি চলা ভাল ...তোমালোকেই কোৱা , গাড়ীৰ সৈতে খুন্দা খোৱাৰ পিছৰ কোনোৱে আহত অবস্থাত উঠি খোজকাঢ়িব পাৰে ? আৰু...এইবোৰ বাদে .. এই ৰাতি এই গভীৰ জঙ্গলত কোনো মানুহ থাকিব ? মোৰ কিন্তু একদম ভাল লগা নাই ...”।

স্ত্ৰী’ৰ কথাত এবাৰ বাস্তবিকতে খং কৰি উঠিল সংগ্ৰাম সিঙে। কলে , “অৰ্চনা! আৰু এটা কথা কোৱা যদি ফল ভাল নহব কৈ থৈছো । এজন ফৌজিৰ স্ত্ৰী হৈ তুমি ভূতপ্ৰেত বিশ্বাস কৰা, তোমাৰ লাজ নালাগে নে ? এইসময়ত তোমাৰ যত মনত সাহস অনাৰ কথা, সকলোকে সাহস দিয়াৰ কথা কব লাগে , সেই সময়ত তুমি এইবোৰ পাগলৰ দৰে চিন্তাভাবনা কৰি আছা ? থৈ দিয়া তোমাৰ এই ভূতপ্ৰেত, তন্ত্ৰমন্ত্ৰ... যি আজব গুজব অদ্ভুত কথাবাৰ্তা.... !”

..দেউতা !” অস্ফুট স্বৰত কলে ৰাহুলে, “তুমি...এই...পিনে ...এবাৰ চোৱাৰ দৰকাৰ..” কৈ কৈ তেওঁ গাড়ীৰ তলৰ পিনে ইংগিতেৰে দেখালে। সকলো স্তম্ভিত হৈ চালে, সেই তেজৰ দাগ গাড়ীৰ টায়াৰতো লাগি আছে । সকলোৰে ৰাস্তাৰ কাষত কিছু দূৰত মাটিৰ ওপৰত কিবা এটা চুচুৰি যোৱা দাগ স্পষ্ট চকুত পৰিল।

“...দেউতা...তুমি ঠিকেই কৈছা. .আমাৰ গাড়ীৰ সৈতে কাৰোবাৰ না কাৰোবাৰ সংঘৰ্ষ হৈছে ঠিকেই ...তাৰপৰা গাড়ীৰ খুন্দাত সি হয়তো শূন্যতে ছিটিকি এইফালে পৰিছে ...গাড়ীৰ যি স্পীড আছিল, এয়াই হব । মোৰ মতে , আমি এবাৰ সেইফালে গৈ চোৱা দৰকাৰ...যদি সি বাচি আছে , বেহুঁচ হৈ আছে, তেতিয়াহলে তাক অন্তত এবাৰ সহায় কৰাৰ দৰকাৰ”।

“...নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা কৰিছো , তোমাৰ আৰু তোমাৰ দেউতাৰ অনুমান যেন সঠিক হয় আৰু মোৰ এই ভয়, এই সন্দেহ সম্পূৰ্ণ যেন ভ্ৰান্ত হয়”, সৰু সৰু স্বৰত কলে অৰ্চনাদেৱীয়ে , “যদি এনেই হৈছে , তেতিয়াহলে আমি নিশ্চিন্তভাবে নিৰাপদে আজি ৰাতি ঘৰত যাবলৈ পাৰিম”।

গীতাই শাশুৰেকৰ কান্ধত হাতখন থৈ নীৰবে সাহস যোগালে । বুজাব খুজিলে , সকলো ঠিক হৈ যাব। চিন্তাৰ কথা নাই ।

“... ..হেলো...কোনোবা আছে নেকি ইয়াত ?” ৰাতিৰ নিস্তব্ধতাক নেউচি মেজৰ সংগ্ৰাম সিং’ৰ উচ্চ কণ্ঠস্বৰ, “মোৰ কথা শুনিবলৈ পাইছেনে ? আমি আপোনাক সহায় কৰিব খোজো...কোনোবা আছে নে ?”

ৰাহুল আৰ সংগ্ৰাম সিং দুয়োজনেই এখুজি দুখুজিকৈ জঙ্গলৰ দুই পিনে এনেকৈ চিঞৰি চিঞৰি ক্ৰমশ আগুৱাই গৈ থাকিল । সিহতৰ সম্মিলিত কণ্ঠস্বৰ পথৰ দুয়োফালৰ গছে গছে খুন্দা খাই উভতি আহিল । কিন্তু কোনোপিনে মানুহ তো দূৰৰ কথা, এটা কুকুৰ বা মেকুৰীৰ আৰ্তস্বৰ ভাহি নাহিল ।

“...দেউতা!  মোৰ এনে লাগিছে, মানুহটোৰে মোৰ কথা শুনি পোৱা নাই । হয়তো যদি সি মৰাও নাই , সম্ভবতঃ অচেতন হৈ পৰি আছে। চোৱা , ৰাস্তাৰ কাষৰ এইপিনে খাদৰ দৰে দ হৈ নামি গৈছে তলৰ জঙ্গলৰ দিশত । মোৰ এনে লাগিছে এই জঙ্গলৰ ভিতৰত গৈ মই এবাৰ চাই অহাৰ দৰকাৰ”।

সংগ্ৰাম সিঙে একো নকলে কিন্তু তেওঁক খুব চিন্তিত দেখা গল ।

“...দেউতা, তুমি মোক টৰ্চটো দিয়া”, ৰাহুলে কলে , “তোমালোক এতিয়া গাড়ীৰ কাষত ৰৈ থাকা । মই এই জঙ্গলৰ তলপিনে নামি গৈ চাঁও , কৰবাত কোনোবা পৰি আছে নে নাই”।

ৰাহুল বা সংগ্ৰাম সিঙৰ অনুমান কিমান সঁচা, সেয়া সিহতে নিজেও নাজানে । এইটোক লৈ সিহত নিজৰ মাজতো যথেষ্ট সন্দেহ আছে। অন্যহাতে অৰ্চনাদেবীও বুজিব পাৰিছে , এই দেউতাক আৰু লৰাটো একেবাৰে আকোৰগোঁজ । কোনোপধ্যেই সিহতক বুজাব নোৱাৰি । তেওঁ মাত্ৰ চেপা মাতেৰে কলে , “এই অন্ধকাৰত তাত অকলে নাযায় , ৰাহুল। মোৰ ভয় লাগিছে । দেউতাকো লগত লৈ যোৱা । কিন্তু অকলশৰে ভুলতেও নাযাবা”। অৰ্চনাদেবীৰ কথাত একমাত্ৰ ল’ৰাটোৰ বাবে দুশ্চিন্তা দূৰ্ভাবনা আৰু উৎকণ্ঠা ফুটি উঠা দেখা গল ।

“...মা, চিন্তা নকৰিবা”, শান্তভাবে কলে ৰাহুলে, “যদি তাত সঁচাকৈয়ে কাৰোবাক বিছাৰি পাওঁ তেতিয়া তাৰ পৰাই চিঞৰি দেউতাক মাতিম । তেতিয়া দুয়োজনে মিলি আহত লোকজনক সহায় কৰিম....যদিও এতিয়ালৈ বুজিব পৰা নাই, গাড়ীৰ সৈতে যাৰ খুন্দা লাগিল সেয়া মানুহ নে কোনো জংঘলী জন্তু...” শেষৰ কথাষাৰ কোৱাৰ সময়ত ৰাহুলক কিয় যেন চিন্তান্বিত দেখা গল। অলপ ৰৈ সি এইবাৰ দেউতা’কক লক্ষ্য কৰি কলে, “দেউতা! তুমি ইয়াত চোৱা যদি অন্য গাড়ী আহে , তেতিয়াহলে তাক ৰখাবলৈ চেষ্টা কৰিবা ।” তাৰপিছত স্ত্ৰী’ক লক্ষ্য কৰি কলে, “গীতা, তুমি এতিয়া মাক ভালদৰে ৰাখা । মই দুই মিনিটৰ ভিতৰতে আহি আছো”।

কৈয়েই ৰৈ নাথাকিল ৰাহুল । টৰ্চটো হাতত লৈ নামি গল পথৰ কাষৰ খাদৰ দৰে তল অংশটোৰ দিশত । মিলিটাৰী দেউতাকৰ সন্তান বুলিয়েই ৰাহুল সৰুৰ পৰাই অন্যৰকম এক সাহসৰ অধিকাৰী, নহলে এই ঘোৰ অমাবস্যাৰ ৰাতি অকলশৰে এই গভীৰ বনৰ ভিতৰত যাবলৈ হলে ডাঙৰ ডাঙৰ সাহসী মানুহৰো বুকু কপি উঠিব।

“...মোৰ একদম ভাল লগা নাই”, অস্ফুট চেপা চেপা মাতেৰে কলে অৰ্চনাদেবী, “এতিয়ালৈ এই পথেৰে এখন গাড়ীকো অহা যোৱা দেখা নাই ...দূৰ দূৰলৈ কোনো মানুহৰ বসতি নাই... নাজানো মোৰ ভাগ্যত কি আছে ..মোৰ খুব ভয় লাগিছে”। বাস্তবিকতে খুব ভয় খাইছে তেওঁ , বাৰে বাৰে ইষ্টদেবতাৰ নাম জপ কৰি আছে । সঁচাকৈ এই পৰ্যন্ত এখন গাড়ীকো এই পথেৰে যোৱা বা অহা দেখা নাই । সংগ্ৰাম সিঙকো এইবাৰ চিন্তিত দেখা গৈছে । তাৰপিছতো মনৰ জোৰ অটুট ৰাখিছে তেঁও । স্ত্ৰী’ৰ কথবোৰ এতিয়াও গ্ৰাহ্য কৰা নাই । ৰাতিটো অমাবস্যাৰ ঠিকেই কিন্তু সেই বুলি স্ত্ৰী’ৰ দৰে ভূতপ্ৰেতত তেও বিশ্বাসী নহয়। তেওঁৰ মতে এজন ফৌজি মানুহৰ পক্ষে এইবোৰত বিশ্বাস কৰা এক হাস্যকৰ কথা । কিন্তু

আজিৰ ৰাতিটো যেন সঁচাই কিৰকমৰ বেলেগ এনে লাগিছে তেওৰ মনতো। যেন এক বিৰাট অমঙ্গলে এই ৰাতিৰ আন্ধাৰত গা লুকাই নিশ্চুপ অপেক্ষা কৰি আছে সিহঁতৰ বাবে। এতিয়া পৰ্যন্ত এনে কোনো ঘটনা ঘটানাই যাৰ বাবে এনে লাগে , সিহঁতৰ আজিৰ এই দূৰ্দশাৰ মূলত অমাবস্যাৰ ৰাতি বিচৰণ কৰা কোনো অশুভ শক্তিৰ হাত আছে। দহ মিনিটৰ বেছি হৈ গল ৰাহুল সেই যে জঙ্গলৰ ভিতৰত সোমাইছে। আৰু ওলাই অহা নাই। অকলশৰে কি কৰিছে সি ইমান সময় জঙ্গলৰ ভিতৰত ? কথাটো এইবাৰ সঁচাকৈয়ে সকলোৰে চিন্তাৰ কাৰণ হৈ উঠিছে।

"...ৰাহুল...কত গল কোৱাচোন ?" এতিয়া আৰু সহ্য কৰিব নোৱাৰি অৰ্চনাদেবী অধৈৰ্য হৈ প্ৰশ্ন কৰিছে স্বামীক, "এতিয়াও ঘুৰি অহা নাই কিয় ? কোনো বিপদ আপদ হোৱা নাইতো তাৰ? অলপ আগুৱাই গৈ চাওঁক না ..." শেষৰ কথাটোত কাতৰ আকুতি মিশ্ৰিত হৈ পৰিল অৰ্চনাদেবীৰ মাতত।

ৰাহুলৰ বাবে চিন্তা গীতাৰো হৈছিল কিন্তু তাই শাহুৰেকৰ হাতত ধৰি ৰাখি কোনোৰকমে নিজৰ ভয় নিজৰ মাজতেই লুকাই ৰাখিছিল।

"...ৰাহুল...ৰাহুল..." এইবাৰ সংগ্ৰাম সিং আৰু গীতা দুয়োজনেই ৰাহুলেৰ নাম লৈ মাতিবলৈ ধৰিলে। কিন্তু ৰাহুলেৰ কোনও উত্তৰ পোৱা নগল। যত নেকি তাক জঙ্গলৰ ভিতৰত কতো দেখাও নগল। যেন জঙ্গলৰ ভিতৰত গৈ সি মিলি গল তাৰ মাজত।

এইবাৰ সকলোৰে মনত দুশ্চিন্তাৰ মেঘ গাঢ় হল।

"...ৰাহুল...ৰাহুল..." সংগ্ৰাম সিং আৰু গীতা দুজনেই ৰাহুলৰ নাম ধৰি মাতিবলৈ আৰম্ভ কৰিলে। কিন্তু উত্তৰত জঙ্গলৰ ভিতৰৰ পৰা ভাহি অহা কিছুমান ৰহস্যময় প্ৰাণীৰ শব্দৰ বাহিৰে আৰু একো শব্দ শুনা নগল।

"...দেউতা ! ৰাহুল ক'ত গল ? এইবাৰ কিন্তু মোৰো খুব ভয় লাগিছে !" কান্দো কান্দোকৈ গীতাই কলে , "প্লিজ, কিবা কৰক না...এইবোৰ কি হৈছে , আমি একো বুজিব পৰা নাই"।

গীতাই কান্দিবলৈ ধৰিলে। কান্দি কান্দি কলে , "আনক সহায় কৰিব গৈ এতিয়া তো নিজেই সমস্যাত পৰিছে"।

অৰ্চনাদেবীও ৰাহুলৰ বাবে খুবেই চিন্তিত হৈ পৰিছিল পড়েছিল।

"...তোমালোক ৰবাচোন !" খঙৰ স্বৰত এইবাৰ কৈ উঠিলে সংগ্ৰাম সিঙে , "ৰাহুলৰ একো হোৱা নাই। সি নিশ্চয় উভতি আহিব। আৰু অলপ অপেক্ষা কৰা"।

চাওতে চাওতে দহ মিনিট পাৰ হৈ গল। ৰাহুলেৰ ফেৰাৰ কোনও নাম নেই।

এইবাৰ সংগ্ৰাম সিঙকো চিন্তিত দেখা গল । হাজাৰ হওঁক , তেওঁ দেউতাক । সন্তানৰ বাবে তেওঁ হৃদয়ো ব্যাকুল নহবনে! এইবাৰ তেওঁ ৰাহুলৰ নাম লৈ জোৰে জোৰে মাতিবলৈ ধৰিলে ।

কিন্তু সেই এক শব্দ । কৰো পৰা ৰাহুলৰ কোনো প্ৰত্যুত্তৰ নাহিল । যেন এই জঞ্ঘল খনে ৰাহুল আৰু তেঁওৰ অপেক্ষাত থকা পৰিয়ালৰ মাজত এখন অদৃশ্য লোৰ প্ৰাচীৰ গঢ়ি দিছে।

গোটেইবোৰ যেন ঘোৰ সন্দেহৰ আবৰ্তত সোমাই গৈ আছে। এই ঘোৰ অমাবস্যাৰ ৰাতি গাড়ীখন এক্সিডেণ্ট হল, কোনোৰকমে সিহত সকলো বাচি যোৱা , তাৰপৰাই সিহতৰ মাজত এজন সদস্যেৰ নিৰুদ্দেশ হৈ যোৱা - সকলো যেন অদ্ভুত যেন লাগিল । কিন্তু সেই বুলি এই অন্ধকাৰত বিপদসংকুল বনৰ ৰাস্তাত এনেকৈ চুপটি কৰি কিমান সময় থাকিব ! এইবাৰ সংগ্ৰাম সিঙে ৰাহুলক বিছাৰি ৰাস্তাৰ কাষৰ সেই খাদৰ দৰে তল অংশত জঞ্ঘলৰ আগুৱাই যাবলৈ ধৰিলে । সিহতৰ মাত্ৰ এটা টৰ্চ ছিল, সেয়াও ৰাহুলে লৈ গৈছে । এতিয়া সিহঁতৰ কোনো পোহৰৰ ব্যৱস্থাও নাই । গাড়ীৰ ভিতৰত লাইট জ্বলাই ৰখা হৈছিল , সেই ভিতৰৰ পোহৰতে বাহিৰৰ যি সামান্য ঠাই আলোকিত হৈ আছে , তাৰপৰা পোহৰ বেছিদুৰ বিয়পিব নোৱাৰে।

জঙ্গলৰ মাজলৈ গৈ গৈ সংগ্ৰাম সিঙে গীতাক উদ্দেশ্য কৰি কলে, “তুমি তোমাৰ মাক গাড়ীৰ ভিতৰলৈ লৈ গৈ তাত বহি থাকা । মই চাই আহো লৰাটো কত গল ..”।

“...না......আপুনি নাযাব”, গীতাৰ কণ্ঠস্বৰত ভয়াৰ্ত সুৰৰ হৈ পৰিল ।

“...যি কৈছো সেয়া কৰা.গাড়ীৰ ভিতৰত দুয়ো বহি থাকা। মই ৰাহুলক লৈ নহা পৰ্যন্ত ওলাই নাহিবা”।

শহুৰৰ কথাত গীতাই একো কব নোৱাৰিলে ।

লৰাটোৰ বাবে চিন্তা কৰি সংগ্ৰাম সিঙ ভিতৰে ভিতৰে ভাগি পৰিছিল, কিন্তু গীতা আৰু অৰ্চনাদেবীৰ পিনে চাই তেঁও একো প্ৰকাশ নকৰিলে । তেওঁ জানে, এইসময়ত তেওঁৱেই কিবা কৰিব পাৰিব । তেওঁ ভাগি পৰিলে সিহঁতৰ অৱস্থা আৰু শোচনীয় হব। কিন্তু তেওঁ এতিয়া সংকতত পৰিছে । একমাত্ৰ লৰাটোক জঞ্ঘলত যাবলৈ দি ৰাস্তাত আৰু বেছিসময় অপেক্ষা কৰি থাকিব পৰা নাই , আনকি ৰাস্তাত দুজনী মহিলাক কেনেকৈ এৰি তেঁও জংঘলত যাব তাক লৈও চিন্তিত হৈ পৰিছে। এক দোদুল্যমান অৱস্থাত পৰিছে মেজৰে। কিন্তু পৰিস্থিতি এতিয়া এনেকুৱা যে ৰাহুলক নিবিচাৰিলে নহব। ইমান সময় হল লৰাটো জংঘলত গৈ ওলাই অহা নাই। তাৰ কিবা বিপদ আপদ হল নেকি এই চিন্তাই সকলোকে কুটি কুটি খাই আছে। ঠাইখিনি ইমানেই জয়াল যে এতিয়ালৈকে কোনে গাড়ী এখনো অহা নাই। কি এক আজব কথা.।

সংগ্ৰাম সিং ৰাহুলৰ নাম কাঢ়ি খাদটোৰ ভিতৰলৈ আগবাঢ়ি গল। জীৱনত বহু যুদ্ধত বুক ফিন্দাই অংশগ্ৰহণ কৰিছে তেওঁ, বহু গুলী বাৰুদৰ নিৰ্ভয়ে সম্মুখীন হৈছে কিন্তু আজি যেন এই মানুহজন এজন অতি সাধাৰণ মানুহ হৈ গল । কাৰণ এতিয়া আৰু তেওঁ এজন সৈনিক

নহয়। এজন দেউতাক । জঙ্গলৰ ভিতৰত নিৰুদ্দেশ লৰাটোৰ বাবে তেওঁৰ মনত বেয়া ভাব আহিবলৈ ধৰিছে। আশংকাত বুকুৰ ভিতৰত শব্দ হৈছে । ৰাহুলৰ নাম ধৰি মাতিবলৈ ধৰাৰ সময়তে তেওঁৰ কন্ঠস্বৰ অজানিতে কপি উঠিছে । জঙ্গলৰ পিনে গৈ গৈ তেঁও এবাৰ ঘুৰি পিছলৈ চালে। দেখিলে, অৰ্চনা আৰু গীতা এতিয়াও গাড়ীত বাহিৰত থিয় হৈ আছে । দুয়োজনৰে চকুয়ে মুখে বিষম উৎকন্ঠা আৰু চেপা উত্তেজনা। দুয়োজনৰে মুখ কাগজৰ দৰে বগা হৈ পৰিছে । সংগ্ৰাম সিং যিমানেই জঙ্গলৰ ভিতৰত প্ৰবেশ কৰিছে , অৰ্চনাদেবী আৰু গীতা লাহে লাহে তেওঁৰ দৃষ্টিৰ আতৰলৈ গুচি গৈছে । নিৰন্ধ্ৰ অন্ধকাৰ আৰু ডাঙৰ ডাঙৰ গাছেৰ বাবে ঢাক খাই পৰিছে সিহঁতৰ চেহেৰা। এইদৰে জঙ্গলৰ বেছ কিছু ভিতৰলৈ সোমাই আহিল মেজৰ সংগ্ৰাম সিং। এতিয়া পৰ্যন্ত ৰাহুলৰ কোনও সম্ভেদ নাই । অন্ধকাৰত সংগ্ৰাম সিংহৰ ব্যাকুল চকুজুৰিয়ে লৰাটোক বিচাৰিবলৈ ধৰিলে ।

কিছু দূৰত অন্ধকাৰে ঢকা জংঘলৰ পৰা এক খচমচ...খচমচ শব্দ শুনা গল। সংগ্ৰাম সিংৰ ইন্দ্ৰিয় সজাগ হৈ উঠিল । তেওঁ ৰাহুলৰ নাম ধৰি মাতি মাতি সেইপিনে যাবলৈ ধৰিলে । শব্দটো আৰু তীব্ৰভাৱে কাণত পৰিবলৈ ধৰিলে , এনে লাগিল যেন কোনোৱে খুব দ্ৰুত ভাবে দৌৰি এইফালে আহি আছে । সংগ্ৰাম সিংৰ বুকুৰ ভিতৰত যেন হাতুৰিয়ে কোৰালে তেনে হল। তাৰ পিছতো মনৰ জোৰত তেওঁ সেইফালে আগুৱাই যাবলৈ ধৰিলে । তেওঁৰ সৰ্বশৰীৰ ঘামি গৈছে। দুশ্চিন্তাত, দূৰ্ভাবনাত, আশংকাত দুচকুত দৃষ্টি শব্দটোৰ পিনে একত্ৰিত কৰি তেঁও গৈ থকিল । এটা সময়ত জঙ্গলৰ মাজত তেঁওৰ সমুখত এটি মূৰ্তিৰ উদয় হল। অন্ধকাৰতো তেঁও মূৰ্তিটোক তেওঁ চিনি পালে।

ৰাহুল!

প্ৰচণ্ড বেগত তেঁওৰ পিনে দৌৰি আহিছিল ৰাহুলে । সমুখত দেউতাক দেখি সি প্ৰায় ফেপাই ফেপাই কলে , “দেউতা, অতি শীঘ্ৰে ইয়াৰ পৰা বলা ..” কৈ আৰু অপেক্ষা নাকৰি দেউতাকৰ হাত ধৰি প্ৰায় আজুৰি টানি লৈ আহিল ৰাষ্টাৰ পিনে । ৰাহুলৰ ভাবগতিক দেখি এনে লাগিল সি যেন জঙ্গলৰ ভিতৰত কোনো ভীষণ বিভীষিকাৰ সম্মুখীন হৈছে । ৰাহুলে যেতিয়া সংগ্ৰাম সিং’ৰ হাতত ধৰিলে , তেতিয়া তেওঁ মন কৰিলে , ঘামত ভিজি গৈছে ৰাহুলৰ হাত। ৰাহুল ইমান সোনকালে দেউতাকৰ হাত ধৰি টানি আনিলে যে সংগ্ৰাম সিঙে কিবা কোৱাৰ সুযোগেই নাপালে। অথবা ৰাহুলেই যেন তেঁওক কিবা কোৱাৰ সুযোগ নিদিলে। যেন সি দেউতাকক কিবা সুধিবলৈ সুযোগ দিবলৈও ৰাজি নহল ।

ৰাহুল আৰু সংগ্ৰাম সিং দুয়োজনে খুব বেগাবেগিকৈ জঙ্গলৰ পৰা ওলাই আহিবলৈ ধৰিল । আজিৰ এই ৰাতি এতিয়া পৰ্যন্ত ঘটা কোনো ঘটনাকেই সাধাৰণ যেন লগা নাই । সকলোৱে কিবা যেন এক ভয়ংকৰ দিশলৈ গৈ আছে । যেতিয়ালৈ জঙ্গলৰ বাহিৰ আহি নাপালে তেতিয়া লৈ দুয়োজনৰে মুখত কোনো কথাই নাছিল । যেতিয়া দুয়োজনে ৰাস্তাৰ মাজত ৰৈ থকা গাড়ীখনৰ কাষলৈ আহি পালে , তেতিয়া আৰু এটা বিস্ময়ে সংগ্ৰাম সিঙৰ বাবে অপেক্ষা কৰছিল। ৰাহুলক বিছাৰি যেতিয়া তেওঁ জঙ্গলৰ ভিতৰত সোমাইছিল , তেতিয়া গীতা আৰু অৰ্চনাদেবীক গাড়ীৰ কাষত থিয় হৈ থকা দেখিছিল কিন্তু এতিয়া উভতি আহি দেখিলে, দুয়োজনেই তাত নাই ।

“...হে ভগবান, ইহত আকৌ কত গল !” গাড়ীৰ কাষত আহি ফোপাই ফোপাই কলে সংগ্ৰাম

সিঙে। গলটো শুকাই গৈছে তেওঁৰ। প্ৰথমে ৰাহুলৰ বাবে দুশ্চিন্তা , এতিয়া নতুন কৈ স্ত্ৰী আৰু পুত্ৰবধূৰ বাবে দুশ্চিন্তাই দেখা দিলে । সিহতৰ সৈতে এইবোৰ কি হৈ আছে !

ৰাহুলে ইমানেই ভয় খাইছিল যে তাৰ মুখেৰে কোনো ভাষাই ওলোৱা নাছিল । জঙ্গলত সি কি দেখিছে , কি দেখি সি ইমান ভয় খাইছে , একোৱে খুলি কব পৰা নাছিল । তাৰ পিছতো সি যে কোনো কাৰণতে খুব ভয় খাইছিল সেয়া তাৰ ভাবগতিক দেখিয়ে বুজা গৈছিল। গাড়ীৰ কাষত আহি সি একেবাৰে ভিতৰত সোমাই দৰ্জাখন বন্ধ কৰিলে যে যেন সি জঙ্গলত কোনো হিংস্ৰ জন্তুৰ সম্মুখীন হৈছিল । তাৰ কৰ্ম কাণ্ডবোৰে সংগ্ৰাম সিঙকো হতবাক কৰি দিছে কিন্তু তেতিয়া পৰ্যন্ত ৰাহুলক তেওঁ সেই বিষয়ে কোনো প্ৰশ্ন কৰাৰ সুযোগ পোৱা নাই । তেঁওৰ মুৰত তেতিয়া স্ত্ৰী অৰ্চনা আৰু পুত্ৰবধূ গীতাক লৈ দুশ্চিন্তাই উগুল থুগুল কৰি আছে । সিহত কত গুচি গল। কি হল সিহঁতৰ - এই চিন্তাতেই তেতিয়া তেওঁ অস্থিৰ, সেয়ে ৰাহুলৰ পিনে মনোযোগ দিয়াৰ সুযোগেই নাপালে । তেওঁ ব্যাকুল হৈ এইবাৰ অৰ্চনাদেবী আৰু গীতা’ৰ নাম লৈ মাতিবলৈ ধৰিলে । ৰাহুলক এই বিষয়ে তেঁও কলে কিন্তু সি কোনো উত্তৰ নিদিলে। গাড়ীৰ ভিতৰত সোমাই সি একেবাৰে তলমুৰ কৰি বহি থাকিল । গাড়ীৰ ভিতৰৰ পোহৰত তেঁওৰ মুখখন বিবৰ্ণ দেখা গৈছিল । গাড়ীৰ চাৰিওফালে অন্ধকাৰ আৰু ঘনীভূত হৈ উঠিছিল। ব্যাকুল, উদ্বিগ্ন সংগ্ৰাম সিং এইবাৰ গাড়ীৰ অন্যফালে গৈ ৰাস্তাৰ সিটো মুৰৰ জঙ্গলৰ পিনে গৈ স্ত্ৰী আৰু পুত্ৰবধূৰ নাম লৈ চিঞৰিলে ।

“...গীতা...অৰ্চনা...ক’ত তোমালোক ?”

একালৰ দুৰ্দান্ত প্ৰতাপী মেজৰ সংগ্ৰাম সিংৰ অবস্থা এতিয়া এনেকুৱা হৈছে যেন তেওঁ শত্ৰুদেশৰ বৰ্ডাৰত আছে , অথচ তেঁওৰ সৈতে যুদ্ধৰ বাবে কোনো বন্দুক বা সংগী নাই । অকলশৰে , সঙ্গীহীন,অস্ত্ৰহীন অৱস্থাত যেন তেওঁ শত্ৰুদেশৰ বৰ্ডাৰত জঙ্গলত পৰি আছে । তেঁওৰ গল শুকাই গৈছে । এনেদৰেই তেওঁ স্ত্ৰী আৰু পুত্ৰবধূৰ নাম লৈ মাতিবলৈ ধৰিলে । ৰাস্তাৰ দুই পিনে জঙ্গলৰ কাষত গৈ গৈ তেওঁ অৰ্চনাদেবী আৰু গীতাৰ নাম লৈ মাতি মাতি পাগলৰ দৰে ইফাল সিফাল কৰি আছিল তেতিয়া পৰ্যন্ত কোনো সম্ভেদ পোৱা নগল। এইফালে স্ত্ৰী আৰু বোৱাৰী নাই , অন্যপিনে ৰাহুলৰ এই আতংক বিহ্বল মুখ আৰু আশ্চৰ্য্যজনক নীৰবতা - সকলো যেন এক ভয়ংকৰ ইঙ্গিত দিছে । সেইসময়ত সেইমূহুৰ্তত একমাত্ৰ মেজৰ সংগ্ৰাম সিং একমাত্ৰ মানুহ, যিয়ে পৰিবাৰৰ বাবে দুশ্চিন্তা কৰিছে , কেতিয়া সিহত সকলোকে নিৰাপদে ঘৰলৈ লৈ যাব পাৰিব , সেই চিন্তাতেই অস্থিৰ হৈ উঠিল তেওঁ ।

জঙ্গলৰ বহু ভিতৰত যেন কিবা দেখা পালে মেজৰ সিঙে। থকম খাই তেওঁ ভালদৰে লক্ষ্য কৰি বুজিব পাৰিলে , যেন বেছ কিছু দূৰত জঙ্গলৰ ভিতৰত যেন কোনোবা ৰৈ আছে । স্থিৰ হৈ, একেবাৰে পাথৰৰ মূৰ্তিৰ দৰে । জঙ্গলৰ পিনে মুখ কৰি কোনোবা থিয় হৈ আছে যেন লাগিল । চিন্তা কৰাৰ সময় নাপালে মেজৰ সিঙে , তেওঁ লগে লগে অৰ্চনাদবী আৰু গীতাৰ নাম লৈ মাতি মাতি সেইপিনে গল । যিমানেই ছায়ামূৰ্তিৰ নিকটবৰ্তী হবলৈ ধৰিলে , সিমানেই অলপ অলপকৈ দৃশ্যমান হবলৈ ধৰিছে। । আশ্চৰ্যকৰ ভাবে স্থিৰ হৈ থিয় হৈ আছে ছায়ামূৰ্তি দুটা, অকণো লৰচৰ কৰা নাই । মেজৰ সিঙৰ হাতত টৰ্চ নাই । কিয়নো একমাত্ৰ টৰ্চটো, সেয়া ৰাহুলে জঙ্গলৰ ভিতৰত লৈ গৈছে , কিন্তু সি যেতিয়া উভতি আহিল তেতিয়া তেঁওৰ হাতত টৰ্চ নাছিল। ভয় ভীত হৈ ফেপাই ফেপাই সি দৌৰি আহিছিল জঙ্গলৰ

বাহিৰৰ পিনে, হাতৰ টৰ্চ ক'ত ছিটিকি পৰি গৈছে , সেয়া নিজেও নাজানে। লৰাৰ এই অবস্থা দেখি সংগ্ৰাম সিঙো এইবোৰ লৈ লৰাক কোনো প্ৰশ্ন সোধাৰ সুযোগ নাপালে এতিয়াও।

সেই ছায়ামূৰ্তিকেইটাৰ নিকটবৰ্তী হৈ হৈ সংগ্ৰাম সিং অন্ধকাৰত দেখা পালে এটা নহয়, মুঠ তিনিটা মূৰ্তি এঠাইত পাথৰৰ দৰে স্থিৰ হৈ তেওৰ বিপৰীত পিনে মুখ কৰি থিয় হৈ আছে।

উদ্বিগ্ন মেজৰ সিঙে স্ত্ৰী আৰু পুত্ৰবধূৰ নাম লৈ কবলৈ ধৰিলে , "অৰ্চনা...গীতা..তোমালোক ইয়াতে থিয় হৈ আছা ? উত্তৰ কিয় দিয়া নাই ?"

ছায়ামূৰ্তি তিনিটাই একো উত্তৰ নিদিলে । মাত্ৰ নিঃশব্দে তেওঁৰ পিনে ঘুৰিল যেন লাগিল । সাহসী সংগ্ৰাম সিঙৰ এনে লাগিল , তিনিটা নহয়, দুটা মূৰ্তিহে তাত আছে । কিন্তু তেওঁ অলপ আগতে স্পষ্টকৈ দেখিছিল , তিনিটা মূৰ্তি তাত আছিল! তৃতীয় মূৰ্তিটো ক'ত গল ?

তেওঁ এবাৰ অৰ্চনা আৰু গীতাৰ নাম লৈ উঠোতেই এইবাৰ অন্ধকাৰৰ বুকুত আংশিক স্পষ্ট হৈ উঠিল।

নিশ্চিন্ত হল এইবাৰ মেজৰ সিং। যি কি নহওক , ছায়ামূৰ্তিদুটা আৰু কোনো নহয়, অৰ্চনা আৰু গীতাই তাত থিয় হৈ আছে। কিন্তু সিহঁতে ৰাষ্টা এৰি এই জঙ্গলৰ ভিতৰত কিয় গল ? তেওঁতো সিহতক গাড়ীৰ ভিতৰত বহি থকিবলৈ দিছিল। তাৰ পিছতো দুয়ো জঙ্গলত গৈ কি কৰিছিল ?

কাষত গৈ খঙৰ স্বৰেৰে তেওঁ কলে, "তোমালোক ইয়াতে কি কৰিছা ? তোমালোকক কোৱা নাছিলো জানো , চুপচাপ গাড়ীত উঠি বহি থাকা...মই উভতি নহা পৰ্যন্ত ! আৰু তোমালোকৰ সৈতে এইমাত্ৰ কোন আছিল ? আৰু এজনকতো অলপমান আগতে দেখা যেন লাগিল ...!"

"...তুমি...!" অস্ফুট স্বৰত কলে অৰ্চনাদেবীয়ে ।

"...দেউতা ...আপুনি !" এইভাবেই কৈ উঠিল গীতাইও ।

সিহত দুয়োজনৰ মাত শুনি এনে লাগিল যেন ঘোৰ টোপনিত শুই আছিল ইমান সময়। এইমাত্ৰ টোপনিৰ পৰা সাৰ পাই উঠিছে।

"...কি হৈছে কোৱাচোন তোমালোকে ?" ক্ৰুদ্ধ হৈ কলে সংগ্ৰাম সিঙে , "কোন আছিল ইমান সময়ে তোমালোকৰ সৈতে? আৰু ইয়াত কি কৰিছা ? কিয় নো অন্ধকাৰত এই জঙ্গলৰ মাজত আহিছা ?"

"...আমি ...ম..মানে.. নাজানো ...তো...ইয়াত ....কেতিয়া আহিলো !" গীতাৰ কণ্ঠস্বৰত যেন প্ৰশ্নবোধক চিন ।

“...অ...মানে...মই... কেনেকৈ আহিলো ...কোৰাচোন .?” এইবাৰ কৈ উঠিল অৰ্চনাদেবীও, “মই তো গাড়ীৰ কাষতে ৰৈ আছিলো .... ...কেতিয়া এই জঙ্গলত আহিলো ...মোৰ নিজৰেই মনত পৰা নাই ...!”

অৰ্চনাদেবী আৰু গীতা দুয়োজনেই যেন আকাশৰ পৰা সৰি পৰিছে । দুয়োজনৰে কণ্ঠস্বৰত পাহাৰ সম বিস্ময় ভৰি আছে ।

কম আশ্চৰ্য্যচকিত নোহোৱাকৈ নাথাকিল সংগ্ৰাম সিঙেও । কি ঘটিছে ! তেওঁ নিজেই নাজানে , কেতিয়া সিহত ইয়ালৈ আহিল ! যেন টোপনিতে খোজ কঢ়ি থকা কোনো ৰোগী হঠাৎ সাৰ পাই নিজক অন্য ঠাইত আবিষ্কাৰ কৰিছে , এনেদৰে কথা কথা কৈছে সিহঁতে !

কি হৈ আছে , একো বুজি নাপালে সংগ্ৰাম সিঙে। ঘটনাপ্ৰবাহে তেওঁকো বিস্মিত কৰিলে ।

সংগ্ৰাম সিঙে একো বুজি পোৱা নাছিল সিহঁতৰ সৈতে কি হৈ আছে। ৰাহুলৰ ভীতিগ্ৰস্ত চেহেৰা, হঠাৎ অস্বাভাবিক ভাবে নিৰুদ্দেশ হোৱা , ইপিনে গীতা আৰু অৰ্চনাদেৱী ৰহস্যময়ভাৱে জঙ্গলত যোৱা এই ঘটনাবোৰৰ একো এটাই স্বাভাবিক নহয় ।

অৰ্চনাদেৱী তেতিয়াওঁ বিস্ময় দৃষ্টিত জঙ্গলৰ পিনে চাই আছিল । যেন বুজি পোৱা নাই কিদৰে সিহত এই গভীৰ জঙ্গলত সোমাই গৈছিল !

“....তোমালোকৰ সৈতে আৰু এজন কোন আছিল?” প্ৰশ্ন কৰিলে সংগ্ৰাম সিঙে, “এইমাত্ৰ দেখিছিলো, তোমালোকৰ কাষতেই ৰৈ আছিল...!”

“...আমাৰ সৈতে!” অৰ্চনাদেৱীৰ কণ্ঠস্বৰ শুনি এনে লাগিল যেন বিস্ময় আৰু এক ডিগ্ৰি বাঢ়ি গল । যেন আকাশৰ পৰাহে পৰিছে , এনেভাবে কলে , “আমাৰ সৈতে ! কোনো নাছিল তো! ..মই আৰু গীতাৰ বাহিৰে ... আৰু তো কোনো নাই !”

“...অ..” শাহুৱেকৰ কথাত সমৰ্থন জনাই এইবাৰ অস্ফুটভাবে গীতাইও কলে , “আৰু কোনো তো নাছিল ইয়াত !” কৈ কৈ গীতা আশেপাশে চাবলৈ ধৰিলে । তাৰপিছত কলে , “আৰু মই...ইয়াত কেতিয়া আহিলো ?...মই দেখোন ৰাস্তাত ৰৈ আছিলো ...এই জঙ্গলত কিদৰে আহিলো ?”

কৰ্মকাণ্ড দেখি সংগ্ৰাম সিং নিজেও আশ্চৰ্য্যচকিত হল। তেওঁ লাহে লাহে বুজিব পাৰিলে, ইয়াত কিবা এটা হৈ আছে যি মুঠেও স্বাভাবিক নহয়। কিবা এটা গণ্ডগোল আছে কৰবাত নহয় কৰবাত । তেঁও আৰু এক মূহুৰ্তও ইয়াত থাকিবলৈ ৰাজি নাছিল । তেওঁ বিছাৰিছিল , যিমান সোনকালে পাৰি ইয়াৰ পৰা যাব লাগে ।

“...ৰাহুল কত ?” অৰ্চনাদেৱীৰ কথাত যেন সম্বিৎ ঘুৰি আহিল সংগ্ৰাম সিংৰ । শুনিবলৈ পালে , অৰ্চনাদেৱীয়ে কৈছে, “আমাৰ ৰাহুল কত? তাক পালানে ?”

সংগ্ৰাম সিঙে স্ত্ৰীক আশ্বস্ত দিলে , “চিন্তা নকৰিবা। তাক পালো । সি ঠিকেই আছে। গাড়ীত বহি আছে।” তাৰপিছত তেওঁ কলে , “আৰু দেৰি কৰিব নোৱাৰো । সোনকালে বলা , গাড়ীত আহা”।

স্ত্ৰী আৰু পুত্ৰবধূক লৈ সংগ্ৰাম সিং জঙ্গলৰ বাহিৰলৈ আহিবলৈ ধৰিলে । তেওঁৰ নিজৰ মন একদমেই ভাল লগা নাছিল । নানান চিন্তা ভাবনাত মনটো ভৰি আছে । পৰিবাৰৰ সকলোৱেই এতিয়া কিৰকম যেন অপ্ৰকৃতিস্থ অবস্থাত , এতিয়া নিৰাপদে ঘৰ পোৱাটোৱেই সিহঁতৰ সকলোতকৈ ডাঙৰ চেলেঞ্জ। দুহাতে দুয়োজনৰে হাত দুখন খামুচি ধৰি তেওঁ জঙ্গলৰ বাহিৰৰ পিনে আহি থাকিল । সেই মূহুৰ্তত তেওঁ যেন সকলোৰে একমাত্ৰ অভিভাৱক হৈ পৰিছে । ঘোৰ অমাবস্যাত আদিম অৰণ্যৰ ৰূপ যে কিমান ভয়ঙ্কৰ হবলৈ পাৰে, সেয়া চকুৰে নেদেখিলে বিশ্বাস কৰিব পৰা নাযায় । ৰাহুল, অৰ্চনাদেৱী আৰু গীতা - তিনিওজনৰে মুখমণ্ডলত সাংঘাতিক এক আতংকই চানি ধৰিছিল । তিনিজনে কিবা দেখি একেবাৰে যেন বোবা হৈ গৈছে । কাৰো মুখত কোনো কথা নাই । গাড়ীত উঠি বহাৰ পিছত অৰ্চনাদেৱী আৰু গীতা দুয়োজনেই ৰাহুলক ঘেৰি ধৰি নানাধৰণৰ প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰিলে। তেওঁ কিয় চুপচাপ আছে , কি দেখিছে জঙ্গলত , সেই কথাক লৈ নানাধৰণৰ প্ৰশ্ন কৰিলে কিন্তু ৰাহুল একেবাৰে মৌন হৈ বহি থাকিল । যেন এইবোৰ লৈ সি মুখ খুলিবলৈ সাজু হোৱা নাই । তাৰ দুচকু যেন বিস্ফোৰিত, আতঙ্কিত। যেন সাঙ্ঘাতিক কিবা দেখি সাময়িকভাবে বোধশক্তি আৰু বাকশক্তি - দুয়োটাই হেৰাই পেলাইছে । সংগ্ৰাম সিং যেতিয়া গাড়ীৰ ড্ৰাইভিং চিটত আহি বহিল, তেতিয়া ৰাহুলে যেন নিজৰ হৃতশক্তি কিছু ওভোটাই পালে । দেউতাকক উদ্দেশ্য কৰি কলে , “দেউতা ! আৰু এক মূহুৰ্তও ইয়াত থাকিব নোৱাৰি ...শীঘ্ৰে বলা ইয়াৰ পৰা ...নহলে বিপদ আৰু বাঢ়িব ...!”

সংগ্ৰাম সিঙে বুজিব পৰা নাই ৰাহুলৰ হঠাৎ এনেহেন মন্তব্যৰ কাৰণ কি। কিন্তু এটা যে ডাঙৰ গণ্ডগোল হৈছে , সেয়া তেওঁ বুজি পাইছে । হঠাৎ এই দূৰ্ঘটনা, গাড়ীত তেজৰ দাগ অথচ আশেপাশে কাৰো ঘৰ নাই, জঙ্গলৰ পৰা উভতি অহাৰ পিছত ৰাহুলৰ এনে অস্বাভাৱিক আচৰণ , গীতা আৰু অৰ্চনাদেৱী হঠাৎ জঙ্গলত গুচি যোৱা - এই ঘটনাবোৰৰ আঁৰৰ প্ৰকৃত ৰহস্য এতিয়ালৈ কোনোৱে বুজি পোৱা নাই ।

“...দেউতা , গাড়ী ষ্টাৰ্ট কৰা...প্লিজ!” অধৈৰ্য হৈ এইবাৰ গীতাইও কলে । কণ্ঠস্বৰ কি এক অজানা ভয় । তাৰ পিছত অলপ সময় ৰৈ কলে , “ৰাহুল হঠাৎ এনেকৈ চুপ হৈ গৈছে কিয় দেউতা?” কি হৈছে কোৱা , কাষত বহি থকা ৰাহুলৰ এখন হাতত নিজৰ হাত ৰাখি অলপ অলপকৈ মোহাৰি দিলে । যেন তেওঁক স্বাভাবিক কৰি তোলাৰ চেষ্টা কৰিছে , “ৰাহুল ইমান কপিছে কিয়?”

“...নাজানো”, সংগ্ৰাম সিঙে কলে , “জঙ্গলৰ পৰা আহিয়েই দেখিছো কিৰকম যেন হৈ গৈছে! কোনো একো ঠিক কৈ খুলি কোৱা নাই !” কৈয়েই গাড়ীৰ ইঞ্জিন ষ্টাৰ্ট দিলে সংগ্ৰাম সিঙে।

“...হে ভগবান! ঠিক মোৰ মনে যি কৈছিল , সেয়াই ঘটিছে!” কাতৰ স্বৰেৰে কলে

অৰ্চনাদেৱীয়ে ," মোৰতো এতিয়াও মনত পৰা নাই মই জঙ্গলত কিদৰে গৈছিলো ...আৰু এতিয়া ৰাহুলক লৈ মোৰ চিন্তা আৰু বাঢ়ি গৈছে ..." কৈয়েই কাষতে বহি থকা স্বামীক উদ্দেশ্য কৰি কলে, "সোনকালে বলা , ইয়াৰ পৰা ! এতিয়াই এই জাগাটো এৰিব লাগিব ..!" শেষৰ কথাটো কোৱাৰ সময়ত প্ৰায় গলগলাই উঠিল অৰ্চনাদেৱীয়ে । কিন্তু তেতিয়াও ভয়াৰ্তভাবে এবাৰ খিৰিকীৰ কাঁচৰ মাজেৰে বাহিৰৰ জঙ্গলৰ পিনে চালে । ইপিনে , পিছৰ চিটত গীতাই অনুভৱ কৰিলে , ৰাহুলৰ শৰীৰ ক্ৰমশ ঠাণ্ডা হৈ গৈ আছে । তাই আপ্ৰাণ চেষ্টা কৰি আছে , ৰাহুলৰ দেহৰ উত্তাপ ওভোটাই অনাৰ বাবে । বাৰেবাৰে ব্যাকুল হৈ প্ৰশ্ন কৰিছে , "কি হৈছে পৰিষ্কাৰ ভাবে মোক কোৱা ৰাহুল..কিবাটো কোৱা ৰাহুল...চুপ চাপ আছা কিয় ? কি হৈছে?"

"...ৰাহুল...কি হৈছে?" এইবাৰ প্ৰশ্ন কৰিলে সংগ্ৰাম সিঙেও , "জঙ্গলৰ পৰা অহাৰ পিছৰ পৰাই কি হৈছে ...কি হৈছিল তাত ? কি দেখিছিলা? কোৱা আমাক...!"

অৰ্চনাদেৱীও বাৰে বাৰে প্ৰশ্ন কৰিবলৈ ধৰিলে।

সকলোৱে একেলগে ৰাহুলৰ ওচৰত তাৰ এই অৱস্থাৰ কাৰণ জানিবলৈ বিছাৰিলে । ৰাহুলে প্ৰথমতে একোৱেই কবলৈ ৰাজী নহল , সি তেতিয়াও প্ৰকৃতিস্থই হব পৰা নাই , ঠিককৈ কথা কোৱাৰ ক্ষমতাই যেন হেৰাই পেলাইছে । সকলোৰে শান্তনা আৰু গীতাৰ প্ৰচেষ্টাত কিছুসময় পিছত সি কথা কোৱাৰ সামান্য ক্ষমতা পালে । কিন্তু তাৰ কণ্ঠস্বৰ মুঠেই স্বাভাবিক নহয়। তাক দেখি এনে লাগিছিল , যেন সি এটা ভীতিগ্ৰস্ত নিৰীহ হৰিণ, যি এইমাত্ৰ জঙ্গলত বাঘৰ মুখত গৈ পৰিছিল । কোনোৰকমে প্ৰাণ বচাই পলাই আহিছে - এনেদৰে কঁপিছিল তাৰ কণ্ঠস্বৰ। সি কলে,

"...সকলো কম ..সকলো কম..আগতে তুমি ইয়াৰ পৰা সোনকালে বলা...যিমান সোনকালে পাৰা..এই জঞ্ঘল এলেকা পাৰ কৰিব লাগে ...যিমান সোনকালে সম্ভৱ..আৰু এক মূহুৰ্তও আমি ইয়াত থকা উচিত নহয়...নহলে ...ও...ও..." হঠাৎ ৰাহুল প্ৰায় হিষ্টিৰিয়া ৰোগীৰ দৰে কুচি মুচিবলৈ বহিবলৈ ধৰিলে । অৰ্চনাদেৱী আৰু গীতা দুয়োজনেই নীৰবে ৰাহুলক লক্ষ্য কৰিছিল । ৰাহুল ইমান ভীতিগ্ৰস্ত হৈ পৰা কেতিয়াও দেখা নাই । বৰঞ্চ ইয়াৰ ঠিক ওলোটা হে দেখা পাইছিল। ৰাহুল একেবাৰে তাৰ দেউতাকৰ দৰেই সাহসী। ৰাহুল গাড়ীৰ খিৰিকীৰে বাহিৰলৈ চাই আছিল , হঠাৎ সি বিকট স্বৰত চিৎকাৰ কৰি কুচি মচি বহিল , যেন হঠাৎ তাৰ চকুই ভয়ানক কিবা দেখা পাইছে । কি দেখি ৰাহুলে এনেকুৱা কৰিছে, তাৰ কাৰণ অনুসন্ধানৰ বাবে গীতা আৰু অৰ্চনাদেবীয়ে ৰাহুলৰ দৃষ্টি অনুসৰণ কৰি পথৰ পিনে জঙ্গলৰ দিশত চালে কিন্তু সিহঁতৰ চকুত নিকষ কলা আন্ধাৰ আৰু সেই আন্ধাৰে সৃষ্টি কৰা দৈত্যাকৃতি দৰে গছবোৰৰ বাহিৰে আৰু একো চকুত নপৰিল । কিন্তু ৰাহুলে নিশ্চয় কিবা দেখিছে।

সংগ্ৰাম সিঙে লগে লগে গাড়ীৰ ইঞ্জিন ষ্টাৰ্ট কৰিলে । কিন্তু চকা ঘুৰিলেও তেওঁ গাড়ীখনক আগলৈ নিব পৰা নাই । কি হৈছে ? সংগ্ৰাম সিঙে আপ্ৰাণ চেষ্টা কৰিবলৈ ধৰিলে কিন্তু গাড়ীখন এক ইঞ্চিও লৰচৰ হোৱা নাই । বহু চেষ্টাৰ পিছত হঠাৎ এটা জোকাৰণি উঠি গাড়ীখন দ্ৰুতগতিৰে আগুৱাবলৈ ধৰিলে । তেওঁৰ মনতো এটা ভয় সোমাই গৈছে। ৰাহুলৰ চকু দেখি তেওঁ কিবা বুজি পাইছিল। ৰাহুল এনেকৈ ভয় কৰা লৰা নহয়, নিশ্চয় জঙ্গলত গৈ সি কোনো ডাঙৰ বিপদৰ মুখামুখি হৈছিল । অলপ আগেয়ে যেতিয়া গীতা আৰু অৰ্চনাদেৱীক বিছাৰি তেওঁ জঙ্গলত গৈছিল , তেতিয়া তেওঁ -তিনিটা ছায়ামূৰ্তি দেখা পাইছিল । কিন্তু

ওচৰত গৈ দেখিছিল, তাত গীতা আৰু অৰ্চনাদেৱীহে আছে। কোনো তৃতীয় ব্যক্তি নাই । তেন্তে সেই তিনি নম্বৰ ছায়ামূৰ্তিটো কাৰ আছিল, হঠাৎ সেয়া কত নোহোৱা হৈ গল, সেয়া এতিয়াও তেওঁৰ ওচৰত এটা প্ৰশ্ন । এতিয়াও তেওঁ বুজিব পৰা নাই , সেয়া তেঁওৰ চকুৰ ভ্ৰম নে সঁচা । এই জঙ্গল যেন দুনিয়াৰ যাবতীয় ৰহস্যৰ আধাৰ। এই পথত প্ৰবেশ কৰাৰ পিছত সকলোৰে মগজুই যেন কাম কৰাই বন্ধ কৰি দিছে। জঙ্গলত সোমোৱাৰ পিছৰ পৰাই কিয় যে অৰ্চনাদেৱীও হঠাৎ ভূতপ্ৰেত লৈ কথা আৰম্ভ কৰিছিল । অথচ এতিয়া পৰ্যন্ত এনো একো ঘটনা ঘটা নাই যাক সচাঁকৈ অলৌকিক বুলি কব পাৰি । অথচ যি যি ঘটিছে, সেয়াও নিতান্তই স্বাভাৱিক ঘটনা যেন নালাগে । ঠিক যেনেকৈ তেওঁ বুজিব পৰা নাই , টৰ্চ হাতত লৈ জঙ্গলত যোৱাৰ পিছত ৰাহুলে তাত কি দেখিলে। ইমান ভয় কিয় খালে ?

অন্ধকাৰচ্ছন্ন পকী পথেৰে সংগ্ৰাম সিঙৰ গাড়ী দ্ৰুত গতিৰে চলিবলৈ ধৰিলে । সংগ্ৰাম সিঙে যিমানদুৰ সম্ভৱ স্পিড কন্ট্ৰোল কৰি গাড়ী চলাইছিল । গাড়ীৰ ভিতৰত এতিয়া সকলোৱে চুপ চাপ হৈ আছে । সকলোৰে মুখ দেখি এনে লাগিছে যেন কোনোবাই প্ৰত্যেকৰে ওঠ দুটা চিলাই কৰি থৈছে । সকলোৱে গাড়ীৰ খিৰিকীৰে ভীতসন্ত্ৰস্ত দৃষ্টিত বাহিৰৰ জঙ্গলৰ পিনে চাই আছে । প্ৰায় ৫-১০ মিনিট পিছত অৰ্চনাদেৱীয়ে হঠাৎ নিস্তব্ধতা ভঙ্গ কৰি কলে, “ৰাহুল? কি হৈছিল তেতিয়া ...এবাৰ তো সকলো মোক খুলি কোৱা...তুমি ঠিকে আছাতো? চিন্তা নকৰিবা , আমি খুব শীঘ্ৰে এই ভয়ঙ্কৰ ঠাইখিনি এৰি যাম...কিন্তু তুমি কি দেখিছা খুলি কোৱা আমাক...কি এনেকুৱা হৈছিল তোমাৰ সৈতে ?”

বেচ কিছুসময় পিছত নীৰবতা ভাঙিলে ৰাহুলে। সৰু লৰাৰ দৰে সি ভয়ে ভয়ে কলে , “না মা...সি আমাক কাকোৱে ইয়াৰ পৰা ওলাব নিদিব...কাকোৱে নিদিব ...! আমি আৰু কোনোদিনে এই ঠাইৰ পৰা ওলাব নোৱাৰিম ..! সি আমাক এই জঙ্গলৰ পৰা বাহিৰ হবলৈও নিদিব ...” কৈয়েই সি মুৰটো তলমুৱা কৰিলে আৰু আগৰ চিটত ভেজা দিলে।

ৰাহুলৰ কথাত যেন এক নিস্তব্ধতা নামি আহিল গাড়ীৰ ভিতৰত। তাৰ কথাত অৰ্চনাদেৱী তো বাদেই , গীতা আৰু সংগ্ৰাম সিং বিস্ময়ত হতবাক হৈ পৰিল । কৈছে কি ৰাহুলে! কোনে সিহঁতক ওলাব নিদিয়ে ? কাৰ কথা কৈছে ৰাহুলে!

“...মানে?” সন্মুখৰ উইন্ডস্ক্ৰিনত দৃষ্টি নিবদ্ধ ৰখা সংগ্ৰাম সিঙে এক মূহুৰ্তৰ বাবে মুৰটো ঘুৰাই পিছৰ চিটত বহি থকা ৰাহুলৰ পিনে চাই কলে । পিছত সন্মুখৰ পিনে দৃষ্টি নিবদ্ধ কৰি কলে “ঠিক বুজিবলৈ পৰা নাই তোমাৰ কথা...কি কবলৈ বিছাৰিছিলা তুমি? কাৰ কথা কৈছা? আৰু কোৱা, আজি হঠাৎ কিয় ইমান ভয় খালা ?” তেওঁ কণ্ঠত অপাৰ বিস্ময় ।

“...অ, ৰাহুল, তুমি মোক কোৱা , আজি তুমি কিয় হঠাৎ ভয় খালা ?” কাষত বহি থকা গীতাইও এইবাৰ কলে , “তুমি তো কেতিয়াও ইমান ভয় কৰা নাছিলা ! কিন্তু আজি হঠাৎ কি হল?”

কোনো উত্তৰ দিবলৈ নোৱাৰিলে ৰাহুলে। তাৰ কপালৰ পৰা এই শীতৰ ৰাতিও টপটপ কৈ ঘাম সৰি আছে । দুচকু এতিয়াও এক আতঙ্কময় । যেন এইমাত্ৰ সাক্ষাৎ মৃত্যুক সি দেখি আহিছে । বুকুখন এতিয়াও জোৰে জোৰে উঠা নমা কৰিছে । গীতাৰ চেষ্টাত সাময়িকভাবে

সি বোধশক্তি পাইছে ঠিকেই, বাকশক্তিও পাইছে কিন্তু জঙ্গলৰ ভিতৰৰ সেই ভয়ানক স্মৃতি মনত পৰি আকৌ তাৰ অবস্থাৰ অবনতি হ্বলৈ ধৰিছে। সংগ্ৰাম সিং, অৰ্চনাদেৱী আৰু গীতা এইবাৰ ব্যতিব্যস্ত হৈ পৰিল ৰাহুলক লৈ। সিহতৰ কাৰো কথাত সি এবাৰো মুখ নুখুলিলে। ৰাহুলক এইলৈ বেছি সুধি থাকিলে তাৰ অবস্থা আৰু বেয়া হব পাৰে। সেয়ে চুপ থকাটোৱেই শ্ৰেয় বুলি সকলো মনে মনে থাকিল।

গাড়ীৰ ভিতৰত এক অদ্ভুত নীৰবতা। কাৰোৰ মুখত টু টা শব্দ এটা নাই। নিৰ্জন অন্ধকাৰ পথত সিহঁতৰ গাড়ী দ্ৰুতগতিত আগবাঢ়ি গৈ আছে।

হঠাৎ ৰাহুলে এক অদ্ভুত কাণ্ড কৰিলে। সি প্ৰচণ্ড জোৰে অট্টহাস্য কৰি উঠিল।

এনে আকস্মিকভাৱে হাঁহিত সংগ্ৰাম সিং প্ৰায় হতচকিত হৈ গাড়ী ৰখাই দিলে মাজৰাস্তাত। সকলোৱে ঘুৰি চালে ৰাহুলৰ পিনে। কি হল এইবাৰ ৰাহুলৰ? হঠাৎ এনেদৰে অপ্ৰকৃতিক ভাবে হাঁহিছে কিয়? দুশ্চিন্তাই এইবাৰ গ্ৰাস কৰিলে সিং পৰিবাৰক।

"...দেউতা..!" হাঁহিতে হাঁহিতেই কলে ৰাহুলে, "গাড়ী নৰখাবা ইয়াত ..খবৰ্দাৰ ...তেন্তে কিন্তু পৰিণাম আৰু ভয়ঙ্কৰ হব .হা হা হা.." কৈয়েই আকৌ উচ্চস্বৰে হাঁহিবলৈ ধৰিলে সি। তাৰ কণ্ঠস্বৰো স্বাভাৱিক নহয়। গাড়ীৰ ভিতৰত সকলোৱে হতবাক।

"...কি...কি হৈছে ৰাহুল?" ব্যাকুলতাৰে অৰ্চনাদেৱীৰ কলে, "কি হৈছে তোৰ? এনেদৰে হাঁহিছা কিয় পাগলৰ দৰে ?" তাৰপিচত যেন ভোৰভোৰাই কলে, "কোনো অশুভ আত্মাৰ বশীভুত হৈ পৰা নাইতো মোৰ একমাত্ৰ লৰাজন?" মুখমণ্ডলত আশংকাৰ মেঘ ক্ৰমশ ঘনীভূত হৈ উঠিছে।

"...কি হৈছে ৰাহুল?" এইবাৰ প্ৰশ্ন কৰিলে সংগ্ৰাম সিঙে নিজেও, "কি হৈছে তোমাৰ কোৱা তো? জঙ্গলত কি দেখিছা, ..এইবাৰ এনেকৈ পাগলৰ দৰে হাঁহিছা...কিয় ? চোৱা ৰাহুল, আমাক এনেকৈ সংশয়ৰ মাজত নাৰাখিবা। সঠিক কৈ কোৱা, কি হৈছে তোমাৰ? কিবা দেখি তুমি অত্যন্ত ভয় খাইছিলা। কোৱা কি হৈছিল জঙ্গলত?"

দেউতাৰ ধমকিয়ে এইবাৰ কামত দিলে। কিছুসময় চুপ হৈ বহি থকিল ৰাহুল। তাৰপিছত লাহে লাহে কবলৈ ধৰিলে, "তোমালোকে মোৰ পৰা সঁচা ঘটনাটো জানিব খোজা ? জানিব খোজা ন , মই জঙ্গলত গৈ কি দেখিছিলো , সেয়াইতো?"

"..অ . জানিবলৈ বিছাৰো", অধৈৰ্য হৈ কলে সংগ্ৰাম সিং, অৰ্চনাদেৱী আৰু গীতা তিনিজনেই, "তাৰ পৰা আহি দেখিছো তুমি কিৰকম যেন হৈ গৈছা ..একেবাৰে গা মুখ শুকাই গৈছিল তোমাৰ ..কি হৈছিল তাত , কোৱা? কি দেখিছিলা?"

সংগ্ৰাম সিঙে ভাবিছিল , ৰাহুলে হয়তো জঙ্গলত কোনো হিংস্ৰ জন্তুৰ সন্মুখীন হৈছিল। সেয়েতো ইমান ভয় খাইছে। যিহে জঙ্গল, হিংস্ৰ জীৱ জন্তু থকাটো বিচিত্ৰ নহয়। কিন্তু

সেই নিৰ্জন বিপদসংকুল নিবিড় জঙ্গলৰ ৰাস্তাৰ মাজৰ গাড়ীৰ ভিতৰত বহি ৰাহুলৰ মুখৰ পৰা যিখিনি কথা শুনিলে , সেয়া তেওঁ কেতিয়াও কল্পনা কৰিব পৰা নাছিল । ৰাহুলে খুব শান্তভাবে লাহে লাহে কলে , “মা…মা…ঠিকেই কৈছিলা । অ..মা যি ভয় কৰিছিলো …ঠিক সেয়াই …হৈছে…মায়ে ..ঠিক অনুমান কৰিছিল …”

“…মানে?” ভ্ৰু কোঁচ খাই উঠিল সংগ্ৰাম সিঙৰ । মূহুৰ্তৰ বাবে এবাৰ স্ত্ৰীৰ পিনে চাই পিছত ৰাহুলৰ পিনে চাই কঠিন কণ্ঠস্বৰত প্ৰশ্ন কৰিলে , “আৰু ভালকৈ খুলি কোৱা । মই তো তোমাৰ কথা একো বুজিব পৰা নাই । তোমাৰ মায়ে কি মাথামুণ্ড ঠিক কৈছিল , খুলি কোৱা মোক…”।

অৰ্চনাদেৱী বহিছিল সমুখৰ ড্ৰাইভিং চিটৰ কাষৰ চিট’টোত, সংগ্ৰাম সিঙৰ কাষত ; কিন্তু তেওঁৰ উদ্বিগ্ন উৎকণ্ঠিত দৃষ্টি নিবদ্ধ আছিল পিছত বহা ৰাহুলৰ পিনে । সমুখৰ চিটৰ পৰা ৰাহুলৰ দিশত সামান্য হাউলি তাৰ হাতখন নিজৰ হাতত লৈ কলে , “ৰাহুল! চোৱা , তোমাৰ দেউতা , মই আৰু গীতা - সকলোৱে তোমাৰ বাবে চিন্তাত পৰিছো । আমি সকলোৱে জানিব খোজো , এনে কি হৈছিল , এনেকুৱা কি দেখিছিলা চকুৰ সমুখত , যে তোমাৰ এনেকুৱা হল ? আৰু বাৰ বাৰ কাৰ কথা কবলৈ বিচাৰিছিলা তুমি ? কোনে আমাক জঙ্গলৰ পৰা ওলাব নিদিয়ে ? কোৱা , আমাক সকলো খুলি কোৱা …”

অজানা আতংক আৰু দূৰ্ভাবনাত তেওঁ একেবাৰে ভিতৰি ভিতৰি অস্থিৰ হৈ পৰিছিল কিন্তু তাৰপিছতো ৰাহুলক সাহস জগোৱাৰ চেষ্টা কৰিছিল । তাৰ মনত শক্তি আনিবলৈ প্ৰয়াস চলাই গৈছিল । ৰাহুলৰ চেহেৰা -সুৰত তেতিয়াও এক অদ্ভুত আতংক ভাহি ফুৰিছে । হাত-ভৰি বৰফৰ দৰে ঠাণ্ডা আৰু বুকুখন দ্ৰুতভাৱে উঠানমা কৰিছে । এতিয়াও সি স্বাভাৱিক অবস্থাত আহিবলৈ পৰা নাই । আকৌ বাকৰুদ্ধ হৈ পৰিছে । দুচকু সন্মুখৰ পিনে নিবন্ধ। কিন্তু সেই চকুই যেন সমুখত একোৱেই দেখা নাই । গাড়ীৰ ভিতৰৰ সকলোৱে চেষ্টা কৰিছে তাক নৰ্মেল অৱস্থাত লৈ আনিবলৈ । মাজে মাজে ‘ও..ও..’ বুলি চিঞৰি উঠিছে , আগতকৈও জোৰকৈ গাড়ী চলাবলৈ দেউতাকক ধমকি দিছে , কিন্তু কিবা সুধিলে একেবাৰে চুপচাপ হৈ যায় সি । যেতিয়া মৌন হৈ থাকে কাৰো পিনে নাচায়, কাৰো সৈতে কথা নকয়। যেন সমুখত কোনো নাই। আকৌ মাজে মাজে সম্বিৎ ওভোটাই পাই জোৰে জোৰে গাড়ী চলাবলৈ ৰীতিমতে দেউতাকক ধমকি দিছে । ৰাহুলক লৈ এক অদ্ভুত বিড়ম্বনাত পৰিছে সিং পৰিবাৰ। এতিয়াও সি স্বাভাবিক হোৱা নাই । মুৰত দুশ্চিন্তা দুৰ্ভাবনা লৈ গাড়ী আকৌ ষ্টাৰ্ট দিলে সংগ্ৰাম সিঙে । নিৰ্জন অন্ধকাৰ ৰাস্তা ভেদি আগবাঢ়ি গৈ থকিল সিহঁতৰ গাড়ী। কিছু দূৰ আগবাঢ়িছে , হঠাৎ ৰাহুল, যিয়ে ইমান সময় মৌন হৈ আছিল, সি হঠাৎ মা-দেউতাক আৰু স্ত্ৰী’ৰ নাম লৈ ভয়াৰ্তভাবে ছটফটাই উঠিল । আকস্মিকভাবে কৰা এনে কাৰ্য্যত সংগ্ৰাম সিঙে গাড়ীৰ স্পীড আকৌ কম কৰিবলৈ বাধ্য হল । সকলোৰে পিনে ৰাহুলে এনেকৈ চাবলৈ লৈছিল যেন সমুখত আপোনজনক দেখিও সি বিশ্বাস কৰিব পৰা নাই । বহুসময় পিছত কিছু স্বাভাবিক হল সি । তাৰপিছত লাহে লাহে কবলৈ ধৰিলে,

” …যেতিয়া মই…সেই জঙ্গলত…সো…সো..সোমাইছিলো …মই…তে…তে…তেতিয়া…ভাবিছিলো…বোধহয়…ক্ক…ক্ক..কো অবস্থাত…আশেপাশে… কৰবাত … পৰি আছে। আ…আৰু…মোৰহাতত টৰ্চ আছিল…..মই জঙ্গলৰ ভিতৰত.টৰ্চৰ…পোহৰেৰে… …চাবলৈ …ধৰিলো …ক্কি…ক্ক…কিন্তু… তাত…ক্কো…ক্ক…কোনো নাছিল। মোৰ …হঠাৎ…..তেতিয়া…মনত ভাব আহিল

...হয়তো...মই..গাড়ীৰ...সমুখত যাক ...মূহুৰ্তৰ ...বাবে ...দেখিছিলো ...সেয়া হয়তো....কোনো...মানুহেই ..নহয়। হয়তো..সেয়া..কোনো...জন্তু...হব। সি...হয়তো..গাড়ীত...খুন্দা ...খাই...আহত...হৈ...জঙ্গলত...পলাইছে ...। কিন্তু... জন্তু হওক ...বা...মানুহ...আহত অবস্থাত...কাকো...এনেদৰে ...এৰি ...যোৱাটো ..সঠিক...নহব..সেয়ে...মই...জঙ্গলৰ ...ভিতৰত ...টৰ্চৰ ..পোহৰেৰে তাক ...বিছাৰি ...ফুৰিবলৈ ধৰিলো। এইদৰে ...মই...জঙ্গলৰ ...কিমান ...গভীৰত..গুচি ...আহিছিলো...মই...নিজেও...বুজি ...নাপালো। ক..ক্কি..কিন্তু তেতিয়া পৰ্যন্ত মই...না..মানুহ... না জন্তু...কাকো...দেখা ...পোৱা নাছিলো । মাত্ৰ ...জঙ্গল... আৰু জঙ্গল...। মই...মাতি ফুৰিলো ,' কোনোবা আছেনে ?....কোনোবা আছেনে ?'...থাকিলে ...উত্তৰ ...দিয়ক ...'কিন্তু কোনোৱে...উত্তৰ ...নিদিলে...মোৰ কথাত । অন্ধকাৰ ইমানেই ঘন...যে মোৰ টৰ্চৰ পোহৰতো...সেই অন্ধকাৰ বিন্দুমাত্ৰ দূৰ হোৱা নাছিল ...বৰং... এনে লাগিছিল ...যেন সেই অন্ধকাৰ...আৰু... ঘন হৈ মোক...মোক...গলত টিপি মাৰিবলৈ আহিছে। এইদৰে ...আৰু...কিছুসময়...পাৰ হল । মই বাৰম্বাৰ 'কোনোবা আছেনে ...কোনোবা আছেনে' বুলি মাত দি ফুৰিলো দৈবাৎ কাৰোবাৰ উত্তৰ আহেই কিজানি ...কিন্তু বহুসময় পাৰ হোৱা পিছতো প্ৰত্যুত্তৰ নাহিল । এইদৰে যেতিয়া মই আৰু গভীৰ জঙ্গলত সোমাই গলো , তেতিয়া মোৰ যেন সম্বিৎ ঘুৰি আহিল । মোৰ এনে লাগিল, মই নিশ্চয় কোনো ফান্দত ভৰি দিছো ...মানুহ হওক বা কোনো জন্তু, গাড়ীৰ সৈতে খুন্দা খোৱাৰ পিছত যদি আহত হৈ থাকে , তেন্তে সি এই আহত অবস্থাত কেতিয়াও ইমান দূৰ আহিব নোৱাৰে । এই চিন্তাটো যেতিয়া মোৰ মুৰত আহিল তেতিয়ালৈকে মই বহুত গভীৰলৈ গুচি আহিছিলো । তেতিয়াই মোৰ ভয় লাগিব ধৰিলে । মোৰ মনে কলে , আৰু এক মূহুৰ্তও নহয় , যিমান সম্ভৱ ইয়াৰ পৰা ওলাই যাব লাগিব...এইদৰে ভাবিছিলোহে , সেইসময়তেই খুব কাষত কিহবাৰ যেন এটা মৃদু শব্দ মোৰ কাণত পৰিল ...মই লগে লগে সেইফালে টৰ্চৰ পোহৰ পেলাই দিলো একো ভালদৰে দৃষ্টিগোচৰ নহল ...মই কলো , 'কোন। কোনোবা আছেনেকি তাত ?'

কোৱাৰ লগে লগে এইবাৰ কাৰোবাৰ যেন ক্ষীণ কান্দোনৰ শব্দ ভাহি আহিল । ছোৱালী মানুহৰ উচুপনি যেন কান্দোন এয়া । মই কথাটো কি চোৱাৰ বাবে সেই কান্দোনৰ শব্দ অনুসৰণ কৰি দ্ৰুতগতিত খোজকাঢ়ি জঙ্গলৰ মাজে মাজে সেই দিশত আগুৱাবলৈ ধৰিলো । কিছুদূৰ যোৱাৰ পিছত মই... মই দেখিলো ...মই দেখিলো..." এইখিনি কোৱাৰ পিছতেই ৰাহুলে থৰ থৰকৈ কপিবলৈ আৰম্ভ কৰিলে ।তাৰ দুচকুত তেতিয়া এক অপৰিসীম আতংকৰ ছাপ। মৃগীৰোগীৰ দৰে কৰি থকিল সি।

"...তাৰপিছত ? কি হল? কি আছিল তাত ?" উদগ্ৰীৱ হৈ প্ৰশ্ন কৰিলে সংগ্ৰাম সিঙে। অৰ্চনাদেৱীও সুধিলে , "অ..অ...তাৰপিছত কি দেখিলা , কোৱা..কোৱা ৰাহুল ...!"

বহুসময় ধৰি নিজক সংযত কৰি ৰখা ৰাহুলে আকৌ কবলৈ আৰম্ভ কৰিলে , "প্ৰথমে মই একো দেখা পোৱা নাছিলো ...কিন্তু যেতিয়া টৰ্চটো হাত লৈ মই আৰু কাষলৈ আগুৱাই গলো তেতিয়া দেখিলো এজোপা গছৰ তলত বহি কোনোৱে এইদৰে উচুপি উচুপি কান্দি আছে । কাষত গৈ মই বুজিলো , সচাকৈয়ে এজনী স্ত্ৰী সেই গছৰ তলত বহি আছে । মোৰ সেয়া দেখি খুব আশ্চৰ্য লাগিছিল যে এই অমাবস্যাৰ গভীৰ ৰাতি ঘিটমিট অন্ধকাৰত এই গভীৰ জঙ্গলত অকলশৰীয়া এজনী স্ত্ৰী এনেদৰে বহি বহি কিয় কান্দিছে ! যদি আমাৰ গাড়ীৰ সৈতে কোনো এক্সিডেন্ট হৈছে তেন্তে ইমান দূৰলৈ কিদৰে আহিব পাৰিলে !"

এইখিনি কোৱাৰ পিছত ৰাহুল ৰৈ গল ।

“…তাৰপিছত ?” প্ৰশ্ন কৰিলে সংগ্ৰাম সিঙে । তেওঁ তেতিয়া জঙ্গলৰ নিৰ্জন ৰাস্তাত গাড়ীৰ স্পিড একেবাৰে বঢ়াই দিছে , “তুমি কি সেই মহিলাজনীৰ সৈতে কথা পাতিছিলা ? কি কলে তাই ? যদি আহত হৈছিল, তেন্তে মোক গাড়ীখন স্পীডত চলাবলৈ কিয় কৈছা ? কিয় এই কথাটো আমাক আগতে নকলা? আমি সকলোৱে মিলি সেই মহিলাগৰাকীক সহায় কৰিলোহেঁতেন”।

“…দেউতা !” ৰাহুলৰ এইবাৰ আৰু কাতৰ কণ্ঠস্বৰ শুনা গল , “যেতিয়া মই সেই গছজোপাৰ তললৈ আহিছিলো , তাত মই আৰু এটা বস্তু দেখি হতভম্ব হৈ গৈছিলো…মই…মই..মানে…মোৰ মগজুই কাম কৰা নাছিল সেইসময়ত….দেখিলো, এজনী বুঢ়ী সেই গছৰ তলত বহি এনেদৰে কান্দিছে…স্থানীয়, আশেপাশে থকা কোনো গাওঁৰ হব বুঢ়ীজনী …অন্তত তাইৰ পোছাক দেখি এনেকুৱা লাগিছিল ….আৰু …আৰু বুঢ়ীজনীৰ কোলাত আছিল সৰু এটা ল’ৰা…মই আৰু কাষলৈ যেতিয়া গলো…তেতিয়া দেখিলো … কোলাত শুই থকা সেই লৰাটো প্ৰায় অজ্ঞান হৈ আছে …বেহুঁচ, অচেতন … যেতিয়া টৰ্চৰ পোহৰ লৰাটোৰ গাত পেলাই চালো ..দেখিলো …বাচ্ছাটোৰ কপালৰ এফালেৰে ৰঙা তেজ বৈ আছে …যেন মাৰাত্মকভাৱে আহত হৈছে সি …মই একেবাৰে হতবাক হৈ পৰিছিলো তাক দেখি ….মই ভাবি পোৱা নাছিলো ..কি কৰিম…আৰু সেই বুঢ়ী মহিলাজনীয়ে কান্দি আছিল আৰু মাজে মাজে ল’ৰাটোৰ মুৰত হাত বুলাই দিছিল …. মই প্ৰশ্ন কৰিলো ,”আইতা …ও আইতা….মই তোমাক সহায় কৰিব খোজো…তুমি ইমান ৰাতি এই জঙ্গলত কি কৰিছা ? আমাৰ গাড়ীত কি তোমাৰ কাৰোবাৰ কিবা ক্ষতি হৈছে ?..ওহো…মানে ক্ষমা কৰিবা…মই তোমাক সহায় কৰিব খোজো ..আচ্ছা, এই… এই ল’ৰাজন তোমাৰ নাতি হয় নেকি ?”

মই কথা কৈছিলো কিন্তু সেই বুঢ়ীজনীয়ে এবাৰলৈও মোৰ পিনে নাচালে । কিন্তু তেতিয়াও কন্দাকটা কৰি থাকিল । এবাৰ মই লাহে লাহে আইতাগৰাকীৰ কান্ধত এখন হাত ৰাখি শান্তনা দিবলৈ বিচাৰিলো । কলো , ”আইতা …মই তোমাক সহায় কৰিব খোজো ..আমাৰ গাড়ীখন জঙ্গলৰ সেইফালে ৰাস্তাত ৰৈ আছে …তুমি বিচাৰিলে মই তোমাৰ নাতিক হস্পিটেললৈ লৈ যাম…মোৰগাড়ীত…বলা…বেছি দেৰি কৰিলে তোমাৰ নাতিৰ ক্ষতি হব…বলা মোৰ লগত …..হাস্পাতাললৈ লৈ যোৱাৰ দৰকাৰ লৰাটোক …!’

জঙ্গলত তেতিয়া এক অস্বাভাৱিক নিস্তব্ধতা নামি আহিছিল। মই বুঢ়ীৰ সৈতে কথা পতাৰ চেষ্টা কৰিছিলো , বাৰে বাৰে বুজাবলৈ খুজিছিলো, হাস্পাতাললৈ লৈ যোৱাৰ দৰকাৰ লৰাটোক কিন্তু বুঢ়ীজনীয়ে মোৰ কোনো কথাত কাণসাৰ নিদিলে । তেতিয়া পৰ্যন্ত এবাৰলৈও মোৰ পিনে মুৰ তুলি নাচালে । এইটোৱে বাস্তৱিকতে মোক অবাক কৰিছিল। মই থিয় হৈ হৈ যেতিয়া বুঢ়ীৰ এনে হেন আচৰণৰ বিষয়ে ভাবিবলৈ ধৰিলো , সেই সময়তেই হঠাৎ সেই বুঢ়ীজনীৰ কান্দোন ৰৈ গল । মানে একেবাৰে যেন চুপ হৈ গল । মোৰ এইবোৰ দেখি হঠাৎ খুব ভয় লাগিবলৈ ধৰিল । অথচ তেতিয়া পৰ্যন্ত ভয়ৰ কোনো কাৰণ দেখা নাছিলো । কিন্তু তাৰপিছত যি ঘটিল, সেয়া মনত পৰি এতিয়াও মোৰ গাৰ নোম শিয়ৰি উঠিছে …

যিজনী বুঢ়ী তেতিয়ালৈ মোৰদিশত এবাৰো চোৱা নাছিল কিন্তু হঠাৎ অস্বাভাবিক কৰ্কশ আৰু অমানুষিক কণ্ঠস্বৰত তাই কবলৈ ধৰিলে , "তোমালোকে ভুল কৰিছা ...বহুত বেয়া কৰিছা ...!"

মই ঠতমত খাই উঠিলো বুঢ়ীৰ কণ্ঠস্বৰ শুনি। অলপ সময় আগৰ কণ্ঠস্বৰৰ সৈতে এই কণ্ঠস্বৰৰ কোনো মিল নাই । অস্বাভাবিক মোটা ,কৰ্কশ কণ্ঠস্বৰ! এই কণ্ঠস্বৰ কোনো মানুহৰ কেনেকৈ হব পাৰে?

শুনিলো , সেই বুঢ়ীজনীয়ে সেই ভয়ঙ্কৰ কঠিন কৰ্কশ মাতেৰে কৈছে , "মই তোৰ কি ক্ষতি কৰিছিলো ? কিয় এনে কৰিলি মোৰ সৈতে ?"

মই প্ৰাথমিকতে বিস্ময়েৰে নিজক চম্ভালি কলো "আইতা...আইতা...ক্ষমা কৰিবা..ভুলটো আমাৰেই আছিল...গাড়ী মই ড্ৰাইভ কৰিছিলো....মই নিজেও বুজিব পৰা নাছিলো কেতিয়া কেনেকৈ এক্সিডেন্ট হল! মই মোৰ ভুলৰ বাবে খুবেই লজ্জিত, অনুতপ্ত... মই তোমাক সহায় কৰিব খোজো...আচলতে...আচলতে।মই এখন বিয়াঘৰৰ পৰা আহিছিলো ...আৰু এই অন্ধকাৰ জঙ্গলৰ ৰাস্তাত এনেদৰে এক্সিডেন্টটো হৈ গল..." এই বুলি মই বাৰে বাৰে সেই বুঢ়ীজনীৰ ওচৰত ক্ষমা বিচাৰিবলৈ ধৰিলো।

"...তহত ডাঙৰ মানুহবোৰ এনেকুৱাই", পুণৰ কঠিন স্বৰত কৈ উঠিল সেই বুঢ়ীজনীয়ে , "তহতে এনেদৰে গাড়ী চলাই যা যে আমাৰ দৰে গৰীব মানুহবোৰক চকুতেই নপৰে ...এই দুনিয়াত মোৰ এই একমাত্ৰ নাতিৰ বাদে আৰু কোনো নাই ...এতিয়া সিও মোক এৰি গল ..." কৈ কৈ পুনৰায় কান্দিবলৈ ধৰিলে সেই বুঢ়ীজনীয়ে ।

মই কলো, "আইতা, তোমাৰ নাতি মৰা নাই ,সি বাচি আছে... বেহুঁচ হে হৈছে ..." কিয়নো মই লক্ষ্য কৰিছিলো, লৰাটোৱে অলপ অলপকৈ শ্বাস লৈ আছে । কিন্তু কপালৰ এফালেৰে বৈ থকা তেজ তেতিয়াও বন্ধ হোৱা নাই । সেয়ে কলো , "আইতা...বেছিকৈ ৰক্তক্ষৰণৰ বাবে সি বেহুচ হৈ গৈছে .... তাক এতিয়া হস্পিটেললৈ নিয়া দৰকাৰ...এই মূহুৰ্ততে...তুমি বলা মোৰ সৈতে ..."।

"...স্কুলৰ পৰা অহাৰ পিছত সোনটিয়ে মোক কিমান যে কি সহায় কৰিছিল", মোৰ কথাবোৰ যেন শুনাই পোৱা নাই , এনেদৰে আপোনমনে পুনৰ কবলৈ আৰম্ভ কৰিলে , "মই কাষৰ এখন গাঁওত থাকো...মই গৰীব সেয়ে...জঙ্গলৰ পৰা কাঠ খৰি বুটলি সেইবোৰ বজাৰত বিক্ৰী কৰি যিখিনি টকা পাওঁ , তাৰেই আমাৰ সংসাৰ চলে...এই কামত মোক সোনটিয়ে খুব সহায় কৰিছিল .... মই আহিছিলো জঙ্গলত খৰি বুটলিব । তাৰপৰাই হঠাৎ বৰষুণ হোৱা বাবে মই বহুসময় এজোপা গছৰ তলত ৰৈ আছিলো । যেতিয়া বৰষুণ কমিল তেতিয়ালৈ বহুত ৰাতি হৈ গল...গাঁও উভতিবলৈ বুলি ৰাস্তা পাৰ হৈছিলো হে তেতিয়াই.... এখন গাড়ী...আমাক খুন্দিয়ালে ..." এইখিনি কৈয়েই বুঢ়ীজনীয়ে আকৌ ফেকুৰি ফেকুৰি কান্দিবলৈ ধৰিলে । মোৰ আচৰিত লাগিল, বুঢ়ীজনীয়ে কেতিয়াৰ কথা কৈছে ? কিমান দিন আগৰ কথা ? কেতিয়া হৈছিল এক্সিডেন্ট? হল দেখোন আজিহে..আমাৰ গাড়ীত...তেন্তে এইদৰে পুৰনি কথা কিয় কৈছে ? যেন বহুদিন আগেয়ে ঘটিছে এক্সিডেন্ট'টো! মোৰ যেন সকলো দোধোৰ মোধোৰ

লাগিছে । এটা অজানা ভয় আৰু অস্বস্তিয়ে ক্ৰমশঃ মোক আচ্ছন্ন কৰি তুলিছে । সেয়ে কোনোৰকমে ক্ষমা মাগি সিহতক আমাৰ গাড়ীলৈ অনাৰ বাবে মই বুজাবলৈ চেষ্টা কৰিলো। আৰু তেতিয়া হঠাৎ আৰু এটা কথা মনত পৰি মই নিজে হতবাক হৈ পৰিলো, 'আৰে, আজি ৰাতিপুৱাৰ পৰাতো এটুঁপিও বৰষুণ পৰা নাই ...আজিয়েই নহয়, এই গোটেই সপ্তাহটোত কোনোদিনে বৰষুণ হোৱা নাই ....এতিয়া শীতৰ সময়...বৰষুণৰ চিজন নহয়...তেন্তে এই বুঢ়ীজনীয়ে কোন দিনৰ ঘটনাৰ কথা কৈছে ? তদুপৰি ইয়াত কৰবাত বৰষুণ হলে এই জঙ্গল আৰু ৰাস্তা তিতি থাকিলহেঁতেন কিন্তু সেয়াওতো দেখা নাই । মই হতভম্ব হৈ গৈছিলো কামকাজ দেখি। এইবাৰ নিজেই সুধিলো , "আইতা...আজিতো কতো বৰষুণ হোৱা নাই ...তুমি কি কৈছা এইবোৰ আইতা ?"

মোৰ কথাত এবাৰ সেই বুঢ়ীজনীয়ে হাঁহিবলৈ ধৰিলে । কৰ্কশ সেই হাহি জঙ্গলৰ গছে বনে খুন্দা খাই ভয়ংকৰ যেন শুনা গল । মোৰ আৰু ভয় লাগিবলৈ ধৰিলে। সেই তেতিয়াৰ পৰা এতিয়া পৰ্যন্ত সেই বুঢ়ীজনীয়ে মোৰ মুখলৈ এবাৰো চোৱা নাই , এবাৰলৈও .......

"...দহ বছৰ আগৰ সেই ৰাতিটো এতিয়াও মনত আছে মোৰ ...." হঠাৎ হাহি বন্ধ কৰি কবলৈ আৰম্ভ কৰিলে সেই বুঢ়ীজনীয়ে , "যি ৰাতি মোৰ আৰু মোৰ সোনটিৰ প্ৰাণ লৈছিল....গাড়ীখনে মোক খুন্দা মাৰি গুচি গৈছিল ...বহুসময় মই তাত চটফটাই পৰি আছিলো ...উফঃ কি যন্ত্ৰণা!....কিন্তু কোনো আগুৱাই নাহিল মোক সহায় কৰিবলৈ ....আজিও মোক সহায়ৰ দৰকাৰ....কিন্তু আজিও এয়া ভাবি নাপালো , মই কাৰ কি ক্ষতি কৰিছিলো যাৰ বাবে মোৰ এই পৰিণতি হল ?...." শেষৰ কথাখিনি কোৱাৰ সময়ত বুঢ়ীজনীয়ে খঙত গৰ্জি উঠিল । আৰু মোৰ অবস্থা তেতিয়া শোচনীয়। মোৰ ভৰি দুখনে থিয় হৈ থকাৰ শক্তি হেৰুৱাই পেলাইছিল । মই কপিছিলো। মই যেতিয়া ভাবিবলৈ ধৰিলো , এই বুঢ়ীজনী নিশ্চয় কোনো পাগলী হব, ঠিক তেতিয়াই বুঢ়ীৰ কোলাত থকা বাচ্ছাটো, যাক মই ইমানপৰে অচেতন ভাবিছিলো , সি হঠাৎ চকু মেলি মোৰ পিনে চাবলৈ ধৰিলে । সেয়াই নহয় , সি থিয় হৈ উঠিল যেন তাৰ একোৱেই হোৱা নাই । মই অজানিতে দুখোজ পিছুৱাই আহিলো । এইবাৰ সেই বুঢ়ীজনীয়ে লাহে লাহে মোৰ পিনে আগবাঢ়ি আহিবলৈ ধৰিলে । তাই যেতিয়া মোৰ পিনে চালে , তেতিয়া বুঢ়ীজনীৰ মুখখন দেখি মই এনে ভয় খালো যে কিছুসময়ৰ বাবে মোৰ এনে লাগিল , মই যেন এই পৃথিবীতে নাই । কি ভয়ানক মুখ! কোনো মানুহৰ মুখ এনে হব নোৱাৰে । বুঢ়ীয়ে কাষৰ পৰা কিবা এটা বুটলি ললে । টৰ্চৰ পোহৰত দেখিলো, গছ কটা এখন তীক্ষ্ন দা। মোৰ অষ্ঠ কণ্ঠ শুকাই গৈছিল । মই এখোজো আগুৱাব বা পিচুৱাব পৰা নাছিলো। তাতে থিয়া হৈ হৈ কপিবলৈ ধৰিলো মেলেৰিয়া হোৱা ৰোগীৰ দৰে । বুঢ়ীজনীয়ে মোৰ অবস্থা দেখি গলগলীয়া মাতেৰে হাঁহিবলৈ ধৰিলে । গোটেই জঙ্গল যেন সেই বীভৎস হাঁহিত কঁপি উঠিল । এসময়ত হাহি বন্ধ কৰি আকৌ কবলৈ ধৰিলে -

"...এই দাখন দেখিছ ...এইখনেৰে মই গছ কাটিছিলো...খৰি জোগাৰ কৰিছিলো ...আৰু এই দাখনেৰে সেইদিনা মই সেই গাড়ীত থকা সকলোৰে মুৰটো কাটিলো হয় ...যদিহে মই জীয়াই থাকিলোহেঁতেন ....তহত গাড়ীৱালা লোকসকল হৈছ চয়তান.....অমানুহ...মই তহতৰে অপেক্ষাত আছিলো....এই অমাবস্যাৰ ৰাতি....এই ৰাতিটা মোৰ বাবে খুবেই শুভ...এই ৰাতি মই দুগুণ শক্তি পাওঁ ....আজি ৰাতি মই মোৰ প্ৰতিশোধৰ জুই নুমুৱাম ...তহত সকলোকে মাৰিম...." এই বুলি তাই দাখন দাঙি মোৰ পিনে এখোজ এখোজকৈ আগুৱাই আহিল ...আৰু ...আৰু মই এখোজ এখোজকৈ পিছুৱাই আহি থাকিলো ।

মোৰ মগজুয়ে যেন কাম কৰাই বন্ধ কৰি দিছিল সেয়ে নিজকে বচোৱাৰ সহজাত তাগিদাত মই তেতিয়া পিছুৱাই আহি আছিলো । মই কোনোৰকমে তাইক বুজাব খুজিছিলো , "আমাক…ক্ষ…ক্ষমা…কৰা…মই তো… সহায়হে কৰিব বিছাৰিছিলো …মই তো…. তোমাৰ …কোনো ক্ষতি কৰা নাই ….মাফ কৰা আমাক….প্লিজ, মোক যাবলৈ দিয়া….মই তোমাৰ কোনো ক্ষতি কৰা নাই ….দয়া কৰি এৰি দিয়া…."

মই পিছুৱাই গৈ আছিলো। সেই বুঢ়ী আৰু নাতিটোৱে ক্ৰমশ আগবাঢ়ি আহিছিল মোৰ পিনে …সিহত দুয়োজনৰ চকুত প্ৰতিহিংসাৰ জুই জ্বলি আছে । মোৰ কাতৰ অনুনয় বিনয় স্বত্ত্বেও কোনো কথা কোৱা নাছিল । মোক ৰেহাই দিয়াৰ কোনোৰকম লক্ষণই দেখা নাছিলো সিহতৰ ভাবভংগিত ।

"…এই ৰাস্তাৰে ….যিয়ে গাড়ী চলাই যাব..সেই গাড়ীৰ প্ৰত্যেকেই মৰিব…" পিছত অট্টহাস্য মাৰি কলে বুঢ়ীজনীয়ে , "সকলোকে মই মাৰি পেলাম ….কোনো নাবাচে ….মৰিবি …তহত সকলো মৰিবি আজি …মোৰ হাতত…."

বুঢ়ীজনীৰ দুচকু প্ৰতিহিংসাত জ্বলি উঠিল ।

মই এইবাৰ সকলো পাহৰি জ্ঞান হেৰুৱাই যিটো ফালৰ পৰা আহিছিলো , সেইপিনে দৌৰিবলৈ আৰম্ভ কৰিলো । …কত গছৰ গাত খুন্দা খালো …পিছলি পৰিলো …দুখ পালো ..একো মোৰ খেয়াল নাছিল …মাত্ৰ জানো…পলাব লাগিব …এবাৰলৈও পিছলৈ নাচালেও বুজি পাইছিলো , সেই বুঢ়ী আৰু নাতিটোৱে তেতিয়াও মোক অনুসৰণ কৰি আছিল । কাৰণ পাত বোৰ খৰমৰ শব্দ কৰি মোৰ ওচৰলৈ আহিব খোজা শব্দ পিছৰ পৰা আহি আছিল ….ৰলে নহব …মই দৌৰি থাকিব লাগিব …এই জংঘলৰ পৰা যিমান শীঘ্ৰে বাহিৰ ওলাব লাগিব…."

ৰাহুলৰ কথা শেষ হোৱাৰ পিছত গাড়ীৰ ভিতৰত যেন এক অখণ্ড নীৰবতা নামি আহিল । সংগ্ৰাম সিং, অৰ্চনাদেৱী, গীতা - কাৰোৰ মুখত কোনো এটা টু শব্দ নাই। ৰাহুলৰ মুখত এইবোৰ শুনাৰ পিছত সকলো যেন শিল পৰা কপৌৰ দৰে হৈ পৰিছে । আতঙ্কত , বিস্ময়ত সকলো একেবাৰে চুপচাপ হৈ গৈছে ।

"…দেউতা…দেউতা…সেইসময়ত …মোক বিচাৰি .. নহা হলে …কি যে হলহেঁতেন …." পুনৰ কবলৈ আৰম্ভ কৰিলে ৰাহুলে। তাৰ কণ্ঠস্বৰ শুনি এনে লাগিছে , যেন ভিতৰৰ পৰা ওলোৱা কান্দোন প্ৰবলভাবে বন্ধ কৰাৰ চেষ্টা কৰিছে সি। তাৰপিছত অৰ্চনাদেৱীক উদ্দেশ্য কৰি সি কলে , "মা…তুমি…ঠিকেই …কৈছিলা….মই ইমানদিন….এইবোৰত বিশ্বাস কৰা নাছিলো…কিন্তু আজি মোৰ….বিশ্বাসৰ হৈ গল …মই বুজিব পাৰিছো ….ভূতপ্ৰেত সচাকৈয়ে আছে….অমাবস্যাৰ ৰাতি….সিহত খুব বেছি শক্তিশালী হৈ উঠে….অসহায় মানুহৰ ওপৰত প্ৰতিশোধ লোৱাৰ বাবে সিহত ৰৈ থাকে ….আজ ৰাতি ….আজ ৰাতি ….মই ফচিলো সিহতৰ হাতত…." কৈয়েই কান্দিবলৈ ধৰিলে ৰাহুলে। গাড়ীৰ ভিতৰৰ প্ৰত্যেকেই এতিয়া আতংকিত, বাকৰুদ্ধ। সংগ্ৰাম সিঙে তেতিয়ালৈকে ভাবি পোৱা নাই , তেওঁৰ লৰাই এইমাত্ৰ যি ঘটনাৰ কথা কলে, সেয়া সচা নে তাৰ কল্পনাহে মাত্ৰ? হয়তো জঙ্গলত গৈ অন্ধকাৰ গছৰ পাত ডাল দেখি ভয় খাই কোনো কাহিনী বনাইছে । কিন্তু ৰাহুল সামান্য কথাতে ভয় খোৱা লৰা নহয় । সি কল্পনা কৰি বনাইও কবলৈ নোৱাৰে । সি ইমান

ভয় খাইছে যেতিয়া , নিশ্চয় সি কিবা দেখিছে; কিন্তু নিজৰ চকুৰে নেদেখাকৈ, অন্যৰ কথাত বিশ্বাস কৰা লোক নহয় সংগ্ৰাম সিং। ইপিনে গীতা আৰু অৰ্চনাদেৱী - দুয়োজনেই ৰাহুলক শান্তনা দিয়াৰ বাবে চেষ্টা কৰিছে।

“....ৰাহুল, শান্ত হোৱা”, কৈ উঠিল সংগ্ৰাম সিং, “বহুত শুনিছো তোমাৰ এই উদ্ভট কাহিনী....ইমান পঢ়াশুনা কৰিও তুমি তোমাৰ মাৰ কথাত ভূতপ্ৰেত বিশ্বাস কৰিবলৈ আৰম্ভ কৰিছা, সেয়া দেখি মই নিজে অবাক হৈছো ...মই আশা কৰা নাছিলো , মোৰ লৰাইও এদিন এইবোৰত বিশ্বাস কৰিব...এতিয়া একদম চুপ হৈ বহি থাকা ...চোৱা , আৰু কিছুসময়ৰ পিছতে আমি জঙ্গলৰ পৰা ওলাই আহিম ...মানুহৰ বসতি স্থান পালেই তোমাৰ সকলো ভয় আতৰি যাব ....তেতিয়া আৰু এই উদ্ভট চিন্তাভাবনা তোমাৰ মনত নাহিব....” কৈ কৈ গাড়ীৰ গতি বঢ়াই দিলে সংগ্ৰাম সিঙে।

স্বামীৰ কথাত অৰ্চনাদেৱী প্ৰায় কান্দি উঠিল আৰু কলে , “এতিয়াও তোমাৰ বিশ্বাস নহল? মইতো প্ৰথমতে কৈছিলো ...অমাবস্যাৰ ৰাতি অশুভ...এই ৰাতি অশুভ অতৃপ্ত আত্মা ঘুৰি ফুৰে ...আজি ৰাহুল কিবাকৈ বাচি গল....মোৰ এনে লগা নাই, সেই আত্মাই ইমান সহজে আমাক এৰি দিব...কাৰণ এই অমাবস্যাৰ ৰাতি দুষ্ট আত্মাই মানুহক এবাৰ লগ পালে সহজে এৰি নিদিয়ে ...হে ভগবান, আমাক ৰক্ষা কৰা...ৰক্ষা কৰা...” কৈয়েই হাতজোৰ কৰি নেদেখাজনক প্ৰনাম জনালে । বেগৰ পৰা গণেশৰ সৰু মূৰ্তিটো উলিয়াই বুকুৰ মাজত ললে । মনে মনে ইষ্টদেৱতাৰ নাম জপ কৰিবলৈ ধৰিলে । সংগ্ৰাম সিঙৰ মন অবশ্য তেতিয়া গীয়াৰ আৰু স্টিয়াৰিঙৰ পিনে । যিমান সম্ভৱ সোনকালে তেঁও সকলোকে এই জঙ্গলৰ বাহিৰলৈ লৈ আহিব লাগে , সেই চিন্তাতেই তেও আচ্ছন্ন। ৰাহুলে বাৰ বাৰে খিৰিকীৰে বাহিৰৰ জঙ্গলৰ পিনে কিবা চোৱাৰ চেষ্টা কৰি আছিল । যেন মনে মনে কিবা আশংকা কৰিছে। গীতাই তেওঁক সাবটি ধৰি তেতিয়া কপি আছে । স্বামীৰ মুখত এইবোৰ শুনি গীতাইও ভীষণ ভয় খাইছে ।

“...দেউতা!” বহুসময় পিছত পুনৰ কান্দো কান্দো মাতেৰে কলে ৰাহুলে, “সিহতে ...সিহতে আমাক...ওলাব নিদিব দেবে ..আমাক ইয়াৰ পৰা ......কাকোৱেই ...ওলাব নিদিব ....চাবাচোন...”

“...ফাল্টু কথা বাদ দিয়া !” সজোৰে ধমকি দি কলে সংগ্ৰাম সিঙে, “আৰু এটা কথাও এই বিষয়ে মই শুনিবলৈ নোখোজো..”

“....দেউতা...”ৰাহুলৰ কণ্ঠস্বৰত এইবাৰ কৰুণ স্বৰ শুনা গল , “তু...তু...তুমি বুজি পোৱা নাই ....আধা ঘন্টা ধৰি ...ইমান ফুল স্পীডত গাড়ী ড্ৰাইভ কৰিছা...ইমানপৰে আমি...জঙ্গলৰ বাহিৰ হোৱা উচিত আছিল...কিন্তু....কিন্তু....ইমানপৰেও আমি জঙ্গলৰ ৰাস্তাতেই আছো .......তোমাৰ ...কি ...এয়া অস্বাভাবিক....লগা নাইনে ?”

“...আঃ! চুপ !” প্ৰায় চিৎকাৰ কৰি উঠিল সংগ্ৰাম সিঙে।

“...দেউতা...!” কঁপা কঁপা স্বৰত কলে গীতাইও , “কি...কিন্তু...ৰাহুলে...তো...ঠিক...কথাই...কৈছে....আমি তো ইমানপৰে জঙ্গলৰ পাৰ হবলৈ লাগিছিল ...যি স্পীডত গাড়ী চলিছে ...ইমানপৰে ইয়াতেই

গৈ আছো ....তাৰোপৰি ইমান সময়পিছতো অন্য কোনো গাড়ী চকুত পৰা নাই ...যেন এনেকুৱা লাগিছে ...এই পথেৰে কোনো কেতিয়াও নাযায় ...আমিহে একমাত্ৰ আজি ৰাতি...."

কথা শেষ কৰিবলৈ নোৱাৰিলে গীতাই । গাড়ীৰ ভিতৰত নামি আহিল এক অখণ্ড নীৰবতা। আশেপাশে অন্ধকাৰ যেন আৰু ভয়ানক চেহেৰা হৈ সিহতৰ গাড়ীখনক চেপি ধৰিছে । পথৰ দুইফালে জঙ্গল আৰু বিভীষিকাময় চেহেৰা লৈছে । যেন এনে লাগিছে , সিহত যেন আৰু পৃথিবীতেই নাই । এয়া যেন পৃথিবীৰ কোনো ঠাই নহয়। প্ৰেতলোকৰ এটা টুকৰা যেন খহি পৰিছে ইয়াত । ঘোৰ অমাবস্যাৰ নিশ্ছিদ্ৰ অন্ধকাৰ ৰাতি, গভীৰ জঙ্গল, সেই জঙ্গল পৰা মাজে মাজে ভাহি আহিছে অজানা বিচিত্ৰ নানাৰকম শব্দ - সকলো লগ হৈ সৃষ্টি হৈছে এক ভয়ঙ্কৰ পৰিবেশ ।

"...দ্দে...দেউতা...আমি ইয়াত ফচি গৈছো ..." পুনৰ কম্পিত স্বৰত কলে ৰাহুলে, "আমি...আমি ...বাহিৰ ওলাব নোৱাৰিম ইয়াৰ পৰা ..."।

"...আমাৰ একো নহয় ..." কঠিন গম্ভীৰ স্বৰত কৈ উঠিল সংগ্ৰাম সিং, "সকলো ঠিক হৈ যাব।

যিজন সংগ্ৰাম সিঙে ভূতপ্ৰেতে বিন্দুমাত্ৰও বিশ্বাস নকৰে , তেওঁ হঠাৎ যেন অন্যমানুহ হৈ পৰিছে । লৰাক শান্তনা দিবলৈ গৈ অজানিতে তেওঁৰ স্বৰো কপি উঠিল । যেন তেও সকলো বিশ্বাস কৰিবলৈ আৰম্ভ কৰিছে। তেঁওৰো এইবাৰ যেন অনুভৱ হৈছে , 'সচাকৈতো! ইমানপৰে আমি জঙ্গলৰ বাহিৰ ওলাব লাগিছিল...'!

অসীম সাহসী সংগ্ৰাম সিঙৰ ভ্ৰূ কোচ খাই গৈছে , কপালত পৰিছে চিন্তাৰ ভাঁজ। মুখত জমা হৈছে বিন্দু বিন্দু ঘাম। ইপিনে, অৰ্চনাদেৱী তেতিয়াও চকু মুদি ভগবানৰ নাম স্মৰণ কৰিছে, "হে প্ৰভু, অন্য কাৰোবাৰ কৃতকৰ্মৰ ফল আমাক নিদিবা...কি কুক্ষণত এই পথত আহিছিলো ..এবাৰ আমাক বচোৱা , প্ৰভু, আমাক এই যাত্ৰাত ৰক্ষা কৰা ।এই প্ৰতিহিংসাত অতৃপ্ত প্ৰেতাত্মাৰ হাতৰ পৰা আমাক ৰক্ষা কৰা, প্ৰভু..." কৈ থাকোতে চকুৰ পৰা পানী দুগালেৰে বৈ পৰিল অৰ্চনাদেৱীৰ ।

"...ৰাহুল! আমি কি কোনোপ্ৰকাৰে ইয়াৰ পৰা ওলাব নোৱাৰিম নেকি?" গীতা ৰাহুলৰ পিনে চাই কলে ।

ৰাহুলে কোনো উত্তৰ নিদিলে । তাৰ চকুৰে মুখে এক অস্বাভাৱিক ভয়ৰ ছাপ লাগি আছে । হঠাৎ সংগ্ৰাম সিঙে কলে, "গীতা! অৰ্চনা! মোৰ এইবাৰ এনে লাগিছে , ৰাহুলে যেন ঠিক কথাই কৈছে । আমি তেতিয়াৰ পৰা সেই একেই ৰাস্তাত বাৰে বাৰে ঘুৰি আছো। আমি সচাকৈ এখন ফাঁন্দত পৰিছো ...হে ভগবান! এইবোৰ হঠাৎ কি আৰম্ভ হল!"

সংগ্ৰাম সিংৰ কথাত গাড়ীৰ বাকী সকলোৰে আৰু আতংকগ্ৰস্ত হৈ পৰিল । গীতাই তো কৈয়েই উঠিল , "এয়া আপুনি কি কৈছে দেউতা!"

“....ঠিকেই কৈছো ...” কৈ উঠিল সংগ্ৰাম সিঙে, “মই বহুসময় ধৰি মই লক্ষ্য কৰিছো...সেয়ে কৈছো ..মই এইবাৰ দৃঢ় প্ৰত্যয় হৈছো , জঙ্গলৰ মাজত আমি একে ৰাস্তাত বাৰ বাৰ ঘুৰি আছো...এক অসম্ভৱ ঘটনা ঘটিছে আমাৰ সৈতে ..., আৰু কোনো সন্দেহ নাই , আমি একে ৰাস্তাত ঘুৰিছো..আমি একে ৰাস্তাত ঘুৰি আছো...” কথাৰ মাজতে কপিবলৈ ধৰিলে সংগ্ৰাম সিঙে।

ৰাহুল যেন একেবাৰে বোবা হৈ গৈছিল। তাৰ ভয়াৰ্ত চকুদুটাই গাড়ীৰ খিৰিকীৰে কাৰোবাক যেন বিচাৰি ফুৰিছিল।অৰ্চনাদেৱী কান্দো কান্দো স্বৰত কলে , “এনেওতো হব পাৰে, আমি ৰাস্তা হেৰুৱাই ভুল ৰাস্তাত আহিছো ...”এইবাৰ ৰাহুলে কবলৈ ধৰিলে , “মা..দেউতা... আমি ৰাস্তা ভুল কৰা নাই ...মইও প্ৰথম প্ৰথম এয়াই ভাবিছিলো ..কিন্তু পিছত বুজিছো , আচলতে মুঠেও তেনে নহয়। ৰাস্তা হেৰুওৱা নাই ।”

“...কি কবলৈ বিচাৰিছা তুমি ?” উৎকণ্ঠিতভাবে কলে সংগ্ৰাম সিঙে ।

“...দেউতা, আমি যেতিয়া জঙ্গলৰ পৰা ওলাই আহিছিলো ৰাস্তাৰ পিনে ...তেতিয়াই মই তোমাক বাৰে বাৰে কৈছিলো ...যিমান সোনকালে সম্ভৱ গাড়ী ষ্টাৰ্ট দি ইয়াৰপৰা যাব লাগে ...তেতিয়া ৰাস্তাৰ কাষত এখন নামফলক মোৰ চকুত পৰিছিল। মই সেয়া মনে মনে চিন হিচাপে ৰাখি থৈছিলো ...আৰু তুমি ইমানসময় ধৰি গাড়ী চলাই আছা ...কিন্তু সেই নামফলকখন এতিয়াও মই দেখা পাইছো ...ঠিক সেই ঠাইত .... তাৰ মানে...আমি এতিয়াও একে জাগাতে ৰৈ আছো নেকি ...” তাৰপিছতেই ৰাহুল হাউমাউ কৰি উঠিল ।

“...কি? কি হল ৰাহুল?” গাড়ীৰ বাকী সকলো ব্যস্ত হল ৰাহুলৰ পিনে , “অমনি কৰিছা কিয় ?.....কি হৈছে কোৱা ?”

ৰাহুলে কাষৰ খিৰিকীৰে তৰ্জনী আঙুলিৰে বাহিৰলৈ নিৰ্দেশ কৰি কলে□” এই চোৱা ..এই চোৱা...সিহত ৰৈ আছে ...সিহত ৰৈ আছে...চোৱা...” কৈ কৈ আতংকত দাঁতত দাঁত নিকটাবলৈ ধৰিলে ৰাহুলে।

“...কোন..কোনে ৰৈ আছে ?” অৰ্চনাদেৱী, গীতা, সংগ্ৰাম সিং, তিনিওজনেই উৎকণ্ঠিতভাবে গাড়ীৰ খিৰিকীৰে অনুসন্ধানী দৃষ্টি নিক্ষেপ কৰিলে , “তুমি কাক দেখা পাইছা , ৰাহুল? কত কোন ৰৈ আছে ?”

“...সেয়া তো...সেয়া তো...তোমালোকে দেখা পোৱা নাই নে?” কঁপি কঁপি কলে ৰাহুলে , “সেই বুঢ়ী আৰু লৰাটো ....সেই গছৰ তলত ৰৈ আছে ...দেখিছে ...আমাক....জানো...জানো..সিহতে কোনোপধ্যেই আমাক যাবলৈ নিদিব..সিহতে ইয়াৰ পৰা আমাক এখোজো যাবলৈ নিদিব ...আৰু ...আৰু ...”।

“...আৰু ... কি...ৰাহুল...?” উৎকণ্ঠাৰে সুধিলে গীসেয়ে।

“...প্ৰতি দহ মিনিট...অন্তৰে অন্তৰে...মই . সিহত দুয়োজনকে...সেই একে ঠাইতে ৰৈ থকা

দেখিছো....সিহতে...সিহতে ...একে জাগাত আমাক বাৰ বাৰ ঘুৰাই আনিছে ....সিহতে ...এখন ...মায়াজালত বন্দী কৰি পেলাইছে আমাক.."

"....কি কৈছা তুমি ৰাহুল?"

"....মই ঠিকেই কৈছো ..দেউতা..."

"....তাৰ মানে...আমি একে ঠাইতে বাৰে বাৰে ঘুৰি আছো ...একে ৰাস্তাত? হে ভগবান, এয়া কি আৰম্ভ হল?"

"....মোৰ এনে লাগিছে ...যেন এক সময়চক্ৰত আমি ফচি গৈছো ..সেয়ে প্ৰতি দহ মিনিটৰ অন্তৰে অন্তৰে আগৰ সময়ত পুনৰ আহি পৰিছো ..."

ৰাহুলে চুপ হৈ কিবা যেন ভাবিবলৈ ধৰিলে । হঠাৎ সি প্ৰশ্ন কৰিলে , "দেউতা, তোমাৰ ঘড়ীত এতিয়া কিমানটা বাজিছে ? মোৰ ঘড়ীটো বন্ধ হৈ গৈছে ..."

নিজৰ হাতৰ ঘড়ীত সময় চাই সংগ্ৰাম সিং আৰু এবাৰ ভীষণভাবে চমকি উঠিল । এঘাৰটা চল্লিছ! মনত আছে, এই জঙ্গলত সোমাই সিহতৰ গাড়ী দুৰ্ঘটনাত পৰাৰ আগেয়ে এই টাইমেই দেখিছিল তেওঁৰ ঘড়ীত । মাজত ইমান সময় পাৰ হৈ গৈছে ...এতিয়াও সেই একে টাইম দেখাই আছে ! তেও এইবাৰ পত্নীক সুধিলে, "অৰ্চনা, চোৱাচোন ...তোমাৰ ঘড়ীত কেইটা বাজিছে ?"

ঘড়ীটো চাই অৰ্চনাদেৱী নিজেও বিস্ময়ত বাকৰুদ্ধ হৈ পৰিল । আনকি গীতাও নিজৰ ঘড়ীৰ টাইম দেখি বিস্মিত হল। কোনোৱে এতিয়ালৈকে খেয়াল কৰা নাছিল , সকলোৰে ঘড়ী একেই সময়ত অতি অলৌকিকভাবে বন্ধ হৈ গৈছে । এয়া কেনেকৈ সম্ভৱ!। সংগ্ৰাম সিঙে এইবাৰ গাড়ীৰ ডেচবোৰ্ডৰ ঘড়ীৰ পিনে চালে । তাতো ঘড়ীৰ কটা ৰৈ গৈছে এঘাৰটা চল্লিছত।

জীৱনত এই প্ৰথমবাৰ আতঙ্কত ঠকঠক কৈ কপিব ধৰিলে সংগ্ৰাম সিং। অস্ফুট স্বৰত কলে, "ও মাই গড! কোন চয়তানী সময়চক্ৰত ফঁচিলো আমি ।"

"....দেউতা!" আৰ্তনাদ কৰি উঠি কলে ৰাহুলে, " সেই চোৱা , আকৌ সিহতক দেখা গৈছে ...সেই বুঢ়ী আৰু নাতিটোক...গছৰ তলত থিয় হৈ আমাক চাই আছে ...."

সকলোৰে গাড়ীৰ খিৰিকীৰে চোৱাত যি দেখিলে আতংকত সকলোৰে থৰথৰ কৈ কঁপি উঠিল । ৰাহুলৰ কথাই ঠিক। পথৰ কাষত এজোপা গছৰ তলত দেখা গৈছে এজনী বুঢ়ী আৰু লগত এটা সৰু লৰা ৰৈ আছে । বুঢ়ীজনীৰ হাতত এখন গছ কটা তীক্ষ্ণ দা। অন্ধকাৰত জিলিকি উঠিছে ক্ষুৰধাৰ দাখন । অমাবস্যাৰ অন্ধকাৰ আৰু ঘন কলা ছা হৈ দুটা অমানুষিক প্ৰেতমূৰ্তি ৰৈ আছে। আঙঠাৰ দৰে জ্বলি আছে সিহঁতৰ দুচকু। গীতা আৰু অৰ্চনাদেৱী দুয়োজনেই

দেখাৰ পিছত চিঞৰি উঠিল।

সংগ্ৰাম সিঙে গাড়ী নৰখালে । অন্ধকাৰ ৰাস্তাৰে তেতিয়া সিহঁতৰ গাড়ী গৈ আছে , যদিও তেওঁ ইতিমধ্যে বুজি পাইছে, এইদৰে দুষ্ট প্ৰেতাত্মাৰ হাতৰ পৰা ওলাবলৈ সক্ষম নহব সিহঁত । অথচ এই অশুভ সময়চক্ৰৰ পৰা ওলাবলৈ অন্য কোনো উপায়ৰ কথাও নাজানে তেওঁ।

হঠাৎ ৰাহুলে কলে, “দেউতা! এবাৰ গাড়ীখন ৰখোৱা চোন !”

“...কিয় ? গাড়ী ৰখাব লাগে ?” সেই বিপদসংকুল পৰিস্থিতিত গাড়ী ৰখাই বিপদ ত্বৰান্বিত কৰাৰ কোনো ইচ্ছা নাছিল সংগ্ৰাম সিঙৰ।

“...এবাৰ ৰখোৱা না...এই সময়চক্ৰৰ পৰা বাহিৰ হোৱাৰ এটা উপায় আছে....মই ভাবিছো ....”

“....কিদৰে ?”

“..আমি এইবাৰ ওলোটা ৰাস্তাৰে গৈ চাব লাগিব ....মানে যৰ পৰা আমি আহিছিলো ...সেই পিনে এবাৰ গাড়ীখন ঘুৰোৱা ....এবাৰ উল্টা ৰাস্তাৰে চলোৱা ...হয়তো আমি বাচি যাবলৈ পাৰো ....”

সংগ্ৰাম সিঙে এক মূহুৰ্তৰ বাবে ভাবিলে । তেওঁৰো এনে লাগিল , হয়তো ৰাহুলে ঠিকেই কৈছে ...গাড়ীখনক এবাৰ বিপৰীত দিশত চলোৱা যাওক । তেওঁ গাড়ীখন ৰখালে । গাড়ীখনক বেক গিয়াৰত লগাই ওলোটা পিনে ঘুৰালে। তাৰপিছত যিটো ফালৰ পৰা সিহঁত সন্ধিয়া আহিছিল সেই পিনে গাডীখন চলাবলৈ ধৰিলে।

গাড়ীৰ ভিতৰত সকলো উৎকণ্ঠাৰ বহি আছে । সকলোৰে মনত এটাই প্ৰাৰ্থনা, যেন বুদ্ধিটোৱে কাম কৰে । প্ৰেতাত্মাৰ কবলৰ পৰা এইবাৰ যেন সিহঁত ভালে ভালে বাহিৰ আহিব পাৰে।

পাৰ হৈ গল দহ মিনিট। সকলোৰে দৃষ্টি খিৰিকীৰ বাহিৰৰ জঞ্ঝলৰ পিনে । না, এইবাৰ আৰু সেই বুঢ়ী আৰু বাচ্চা লৰাটোক কতো দেখা পোৱা নাই । গাড়ী আগুৱাই যোৱাৰ সৈতে বাহিৰৰ দৃশ্যপট সলনি হৈ গৈছে । এতিয়া আৰু এনে নালাগিল যে , সিহঁত একে জাগাত ঘুৰি আছে ।

“....বাচিলো আমি !” আনন্দত কৈ উঠিল ৰাহুলে, “দেউতা! উই আৰ সেভড! বাচি গলো !” অৰ্চনাদেৱী আৰু গীতাও ৰাহুলৰ আনন্দত আনন্দ প্ৰকাশ কৰিবলৈ ধৰিলে কিন্তু এজন তেতিয়াও চুপ হৈ আছিল। সেইজন হল সংগ্ৰাম সিং, একমাত্ৰ তেওঁৰ মুখতেই কোনো কথা নাই । ৰাহুল বেচ কিছুক্ষণ ধৰি সেয়া লক্ষ্য কৰি কলে, “দেউতা! তুমি একো কোৱা নাই যে !”

এইবাৰ সংগ্ৰাম সিং লাহে লাহে পিছৰ চিটৰ পিনে ঘুৰিলে , যদিও তেওঁৰ দুই হাত তেতিয়াও ষ্টিয়াৰিং'ৰ ওপৰত । গাড়ীখনক বিন্দুমাত্ৰ শ্লো নকৰাকৈ সংগ্ৰাম সিং শ্লো মোচনত ৰাহুলৰ পিনে চাওতে ৰাহুলে মন কৰিলে , তাৰ হৃদপিণ্ডটো যেন তীব্ৰ এক কিবাহে টিপি ধৰিছে। এয়া কি! এয়া কি দেখিছে সি চকুৰ আগত! এয়া তো তাৰ দেউতা নহয়! দেউতাৰ মুখৰ পিছত কাৰ ছা সেই যে...সেই যে....

'...হা...হা....হা...হা...' সংগ্ৰাম সিঙৰ ভয়াবহ অমানুষিক অট্টহাস্য আৰু গাড়ীৰ ভিতৰৰ বাকী তিনিজনৰ প্ৰাণকাতৰ আৰ্তনাদত নিস্তব্ধ ৰাতিটোও কঁপি উঠিল ।

অন্ধকাৰ ৰাস্তাৰে তেতিয়া তীব্ৰতাৰে গৈ আছে সিহঁতৰ গাড়ী। ৰাস্তাত গাড়ীৰ চকাৰ কৰ্কশ শব্দ উঠিছে , তাৰ লগতে এক ভয়াবহ পুৰুষকণ্ঠৰ অট্টহাহি আৰু বহুতৰ অসহায় বুকুফটা আৰ্তনাদ!

শেষত শুনা গল ভয়াবহ এটা সংঘৰ্ষৰ শব্দ। নিস্তব্ধ বননি কঁপি উঠিল সেই শব্দত । কেইচেকেণ্ডমানৰ বাবে শুনা গল সম্মিলিত অন্তিম আৰ্তনাদ।

তাৰপিছত সকলো চুপচাপ।

অমাবস্যাই যেন নিস্তব্ধ গভীৰ বনভূমিৰ ওপৰত আৰু এখন কলা চাদৰ মেৰিয়াই দিলে।

..................................................................

সেই ঘটনাৰ পিছত ছয় বছৰ পাৰ হৈ গৈছে ।
নিৰ্জন ৰাস্তাটোৰে এখন গাড়ী চলি আছে । ৰাস্তাৰ দুয়োপাৰে নিবিড় ঘন জঙ্গল।

ৰাতি এতিয়া বেচ গভীৰ। ঘড়ীৰ কাঁটা এঘাৰটা চল্লিছ বাজিবৰ হৈছে । এয়া জঙ্গল এলেকা বুলি এতিয়াহে অনুভৱ হৈছে ।

চলন্ত গাড়ীৰ ভিতৰত বহি আছে এক পৰিবাৰ। স্বামী-স্ত্ৰী আৰু তিনি সন্তান। সকলোৱে নিজৰ মাজতে মত্ত।

"...আজি মজা হৈছে। কিমান দিন পিছত উইকএণ্ডত গৈছো গোটেই পৰিবাৰ মিলি, নহয়নে ?.....মোৰতো বহুত মজা লাগিছে...!"

ইয়াৰ উত্তৰত কোনোবাই কিবা কবলৈ লওতেই , ঠিক তেতিয়া সিহতৰ গাড়ীৰ আগত কিবা যেন আহি পৰিল ...সঙ্ঘৰ্ষ হোৱাৰ এটা শব্দ...গাড়ীৰ চালকে আপ্ৰাণ চেষ্টা কৰিল ব্ৰেক মাৰিবলৈ ...নোৱাৰিলে...বেচ কিছু দূৰ গৈ কৰ্কশ শব্দ কৰি ৰৈ গল সিহঁতৰ গাড়ীখন।

"...কি হল?" পিছৰ চিটৰ পৰা চিঞৰি কলে মহিলাগৰাকীয়ে

“... নাজানো...” গাড়ীৰ ষ্টিয়াৰিং কন্ট্ৰোল কৰি থকা মানুহজনে কলে , “এনে লাগিল যেন ...কিবা এটা গাড়ীৰ আগত আহি পৰিছিল ...সুনীতা, তুমি ঠিকে আছাতো? কাৰোৰ ক্ষতি খুন হোৱা নাইতো?”

“...নাই ...আমি ঠিকেই আছো” ভয় খোৱা ধৰণে কলে স্ত্ৰী সুনীতাই, “কিন্তু হৈছে কি অৰ্জুন?”

স্বামী অৰ্জুন কোনোৰকমে ঢোক গিলি কলে, “গাড়ীৰ আগত হঠাৎ কিবা এটা আহি পৰিছিল ...কোনোবাই যেন খুন্দা খালে আমাৰ গাড়ীত....”

উইন্ডস্ক্রিনৰ মাজেৰে অৰ্জুন আৰু সুনীতা উৎকণ্ঠিতভাৱে আগৰ ৰাস্তাৰ পিনে চাওতেই সচাকৈ কাৰোবাক যেন দেখা পালে ৰাস্তাত । কেনোবা এজন যেন ৰৈ আছে ৰাস্তাৰ ঠিক মাজত । ইমান ৰাতি কোন এই জঙ্গলৰ ৰাস্তাত? চোৰ -ডকাইত নহয়তো? অৰ্জুন-সুনীতা দুয়োজনেই ভয়ত বিতত হল ।

অৰ্জুনে কলে, ” হয়তো এই লোকজনে আহত হৈছে আমাৰ গাড়ীত...নামি গৈ এবাৰ চাও...চাও, যদি কিবা সহায় কৰিব পাৰো”।

গাড়ী পৰা নামি গল অৰ্জুন। কেইখোজমান গৈয়েই এজন বয়স্ক লোক ৰাস্তাৰ মাজত নিৰ্বিকাৰে ৰৈ থকা দেখা পালে । অৰ্জুনৰ পিনেই চাই ৰৈ আছিল লোকজন ।

“...ক্ষমা কৰিব”, কলে অৰ্জুন, “ঠিক ধৰিব পৰা নাই আপোনাক ...আপুনি ঠিকেই আছেতো? খুন্দা খালে নেকি ?”

“...মই ঠিকেই আছো”, উত্তৰ আহিল অন্ধকাৰ ৰাস্তাৰ মাজৰ পৰা।

“...আপুনি এই ৰাতি ...এই জঞ্ঘলৰ ৰাস্তাত....” অমাত অমাত কৈ কলে অৰ্জুনে। তেতিয়া আকাশৰ জোনটো আছিল মেঘৰ আৰত আৰু লাহে লাহে প্ৰকৃতিৰ বুকত আন্ধাৰে বিৰাজ কৰিছিল । সেয়ে অৰ্জুন একো ভালদৰে চিনিব পৰা নাছিল ।

“...মই মেজৰ সংগ্ৰাম সিং”, সেই ছায়ামূৰ্তিটোৱে কৈ উঠিল , “আচলতে...আমাৰ...গাড়ীখন...হঠাৎ এক্সিডেন্ট হল.!”

“....ওঃ, কত আপোনাৰ গাড়ী?” জানিব বিছাৰিলে অৰ্জুনে।

“...এই...আগত”, কলে সংগ্ৰাম সিঙৰ ছায়ামূৰ্তিটোৱে, “সেয়ে আপোনালোকৰ সহায় বিছাৰি গাড়ীখনক ৰখাবলৈ চেষ্টা কৰিছিলো”।

“...ও...ক্ষমা কৰিব ...দেখা পোৱা নাছিলো...আচলতে আজিৰ ৰাতিটো বেছি অন্ধকাৰ ...জোনটোও তেতিয়াৰ পৰা মেঘৰ আৰত লুকাই আছে ...সেয়ে ভালদৰে একো ধৰিব নোৱাৰিলো ...!”

“..একো নাই ...” শান্তনাৰ সুৰত কলে সংগ্ৰাম সিংৰ ছায়ামূৰ্তিটোৱে , “আপুনি যদি সঠিক সময়ত গাড়ীৰ ব্ৰেক নামাৰিলেহেতেন তেন্তে বিপদ হৈ গলহেতেন .”

অৰ্জুন এইবাৰ সংগ্ৰাম সিংকে অনুসৰণ কৰি যত সংগ্ৰাম সিংৰ গাড়ীখন দূৰ্ঘটনাত পতিত হৈছে , সেইপিনে আগুৱাবলৈ ধৰিলে । কিছু দূৰ গৈয়েই দেখা পালে , পথৰ দাতিত এখন গাড়ী গছৰ গুৰিত খুন্দা খাই পৰি আছে। গাড়ীৰ কাষলৈ আহি ভালদৰে চোৱাতেই অৰ্জুনেৰ কলিজা গোট মাৰি গল । সংগ্ৰাম সিংৰ গাড়ীখন দেখি অনুমান হৈছে , যেন বহু বছৰ আগেয়ে এই গাড়ীখন জুইত সম্পূৰ্ণ জ্বলি ছাৰখাৰ হৈছে । গাড়ীৰ আচল ৰঙ উঠি গৈছে , গাড়ীৰ কঙ্কালটো মাত্ৰ কোনোৰকমে টিকি আছে। না, এই গাড়ীখন যেন আজি দূৰ্ঘটনাত পৰা নাই ...এইখন গাড়ী বহুকাল আগতেই দূৰ্ঘটনাত বিধ্বস্ত হৈ গৈছে !

কিন্তু তেতিয়া আৰু কিবা দেখিবলৈ বাকী আছিল।

এখুজি দুখুজিকৈ অৰ্জুনে গাড়ীৰ কাষলৈ আহি ভিতৰত জুমি চাওতেই তেঁওৰ গলেৰে অস্ফুট আৰ্তনাদ বাহিৰ হৈ আহিল । গাড়ীৰ ভিতৰৰ পিছৰ চিটত এজন যুবক আৰু এজনী যুবতীৰ অগ্নিদগ্ধ বীভৎস মৃতদেহ। আৰু ড্ৰাইভিং ছিটৰ কাষত এগৰাকী মধ্যবয়সী মহিলাৰ জুইয়ে পোৰা বিদগ্ধ মৃতদেহ। কিন্তু সকলোতকৈ ভয়ানক কথা হল, তিনিওজনৰেই চকুত জীৱনৰ লক্ষণ। জুইয়ে পুৰি শেষ হৈ গলেও কিবা অস্বাভাবিক ভাবে তিনিওজনেই জীবন্ত। তিনিওজনৰ মুৰটো ধীৰে ধীৰে অৰ্জুনৰ পিনে ঘুৰিবলৈ ধৰিলে । সিহত প্ৰত্যেকৰে চকুৱেমুখে এক পৈশাচিক ভাব।

“...না...না...এয়া...এয়া..হব নোৱাৰে”, অস্ফুটভাবে চিঞৰিলে অৰ্জুনে। তাৰপিছত পিছুৱাবলৈ ধৰিল । কিন্তু পিছৰ পৰা অহা অট্টহাস্যই তেওঁক ৰখিবলৈ বাধ্য কৰিলে ।সচকিত হৈ অৰ্জুন পিছলৈ চাওতে দেখিলে, সংগ্ৰাম সিংৰ বিদগ্ধ পোৰা শৰীৰটোৱে তেওঁৰ পিনে চাই হাঁহি আছে .....

অৰ্জুন বিমূঢ়ৰ দৰে ৰৈ গল কিন্তু স্ত্ৰী সুনীতাৰ কণ্ঠস্বৰে তেওঁক যেন জগাই তুলিলে।

কিছু দূৰৰ পৰা গাড়ীৰ ভিতৰত থকা সুনীতাই চিঞৰিলে , “অৰ্জুন, আহা ...গুচি আহা ..শীঘ্ৰে উঠা গাড়ীত...!”

বাঘে খেদা হৰিণৰ দৰে অৰ্জুন দৌৰি আহিল নিজৰ গাড়ীৰ পিনে ।সংগ্ৰাম সিঙৰ ভৌতিক মূৰ্তিটোৱে তেঁওক খেদি আহিছে নে নাই তাক এবাৰলৈও পিছৰ পিনে চোৱাৰ সাহস নহল । গাড়ীতে উঠিয়েই সোনকালে দৰ্জা বন্ধ কৰি দিলে অৰ্জুনে। ফেপাইছে তেওঁ। জোৰে জোৰে উশাহ লৈছে যেন বহুদূৰ পৰা প্ৰাণৰ ভয়ত পলাই আহিছে । যি ভয়ঙ্কৰ দৃশ্য তেওঁ চকুৰ আগত

দেখিছে , তাৰ পিছতো তেওঁৰ মুৰটো কিদৰে সুস্থ আছে, তাক লৈ তেওঁ নিজেও কম আশ্চৰ্য হৈছে । সুনীতা বহিছিল ড্ৰাইভিং চিটত। তাই আৰু দেৰি নকৰি সোনকালে ইঞ্জিন স্টাৰ্ট দিলে। সিহতৰ গাড়ীখন যেতিয়া সংগ্ৰাম সিঙক পাৰ কৰি গুচি গল , তেতিয়া দেখা গল, সংগ্ৰাম সিং পথৰ দাতিত ৰৈ সিহতৰ পিনে অদ্ভুতভাবে চাই আছে । মুখত এটা ৰহস্যময় হাহি।

“…কি……কি হৈছে অৰ্জুন?” ষ্টিয়াৰিং ঘুৰাই প্ৰশ্ন কৰিলে সুনীতাই ।

“…সুনীতা!” চিঞৰি উঠি কলে অৰ্জুনে, “এক মূহুৰ্তৰ বাবেও গাড়ী নৰখাবা…আৰু এতিয়া একো কথা নকবা …নাজনো সেই মানুহজন কোন আছিল …কি আছিল…আৰু সেই ফেমিলি…উঃ! আৰু ভাবিবলৈ পৰা নাই …গাড়ী চলোৱা …স্পীডত চলোৱা !”

ভয়ে কপি আছে অৰ্জুনে। গাড়ীখন স্পীডত গৈ আছে ।

কিন্তু পাঁচ মিনিট পিছত পথৰ কাষত ঠিক সেই ঠাইত সংগ্ৰাম সিঙৰ ছায়ামূৰ্তিটো একেদৰে ৰৈ থকা দেখা গল। মাত্ৰ সংগ্ৰাম সিঙেই নহয় , লগত তেওঁৰ গোটেই পৰিবাৰ। প্ৰত্যেকৰে চেহেৰা বীভৎসভাবে জুইয়ে পোৰা।

“…এয়া..এ…এয়া কি হৈছে অৰ্জুন?” কলে সুনীতাই , “আমি সেই একে জাগাত আহিলো কিদৰে ? এয়া তো হব নোৱাৰে ! এই ৰাস্তাটো কি গোলাকাৰ নেকি?”

“…ব…ব…বুজি পেৰা নাই …” কঁপি কঁপিয়েই কলে অৰ্জুনে, “ইমান সময় ধৰি গাড়ী চলোৱাৰ পিছতো কিদৰে আকৌ আহিলো ইয়াত ….!!! মুৰটোৱে কাম কৰা নাই মোৰ !”

সুনীতাই গাড়ী নৰখালে । পুনৰ পাৰ হল পাঁচ মিনিট। আকৌ সেই আগৰ দৃশ্য! পথৰ দাতিত ৰৈ আছে সেই সংগ্ৰাম সিং আৰু তেঁওৰ পৰিবাৰ । কিন্তু এইবাৰ এক নতুন সংযোজন দেখা গল। সংগ্ৰাম সিঙৰ পৰিবাৰৰ সৈতে এইবাৰ এজনী বুঢ়ী আৰু এটা সৰু বাচ্ছা ৰৈ থকা দেখা গল। সেই বুঢ়ীগৰাকীৰ হাতত আছে অন্ধকাৰতো জ্বলি থকা এখন ক্ষুৰধাৰ দা ।

জোনটো সেই মেঘৰ আঁৰত লুকাইছে , আৰু প্ৰকাশিত নহল । ৰাতিটোৱে আৰু এখন কলা চাদৰ মেৰিয়াই দিলে অন্ধকাৰ বনভূমিৰ ওপৰত ।

……….মানুহে কয় , সেই অঞ্চলৰ জঞ্ঘলৰ সেই পথৰ মাজত এতিয়াও ঘটি থাকে এনেৰকমৰ ঘটনা। ৰাতি হলেই সেই ৰাস্তাত নামি আহে এক অজানা বিভীষিকা। তেতিয়া সেই অঞ্চলেৰে যিখন গাড়ী চলে সেই গাড়ীৰ যাত্ৰীৰ সৈতে ঘটে এনেৰকমৰ ভয়াবহ কাণ্ড!

( সমাপ্ত)

লেখক:  মিথিলেছ্ গুপ্তা
ভাবানুবাদ:স্বপ্ননীল আকাশ